Content includes AI-generated material

## সৌৰ শক্তি প্ৰকল্পৰ নামত চলিছে প্ৰতাৰণা



বিতং বাতৰি ২ নং পৃষ্ঠাত

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, FEBRUARY 12, 2025 ■ বুধবাৰ, ২৯ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪৭ Guwahati, Assam ।। মূল্যঃ এটকা

### এডিআৰে দাখিল কৰা আবেদনৰ ভিত্তিত নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ

# ডিলিট নকৰিব তথ্য! নিৰ্দেশ নিৰ্বাচন আয়োগক



■ মহাৰাষ্ট্ৰৰ বিধানসভাৰ নিৰ্বাচনত খেলিমেলি হোৱাৰ অভিযোগ উত্থাপিত হৈ অহাৰ পিছতে এই নিৰ্দেশনা

নতুন দিল্লী, ১১ ফেব্ৰুৱাৰীঃ ইভিএমক লৈ বিতৰ্ক নতুন নহয়। নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পিছত প্ৰায়ে বিৰোধীয়ে ইভিএমক লৈ প্ৰশ্ন উত্থাপন কৰি আহিছে। ইলেক্ট্ৰনিক ভোটিং মেচিন হেক কৰাৰ সম্ভাৱনা শেষাংশ ২ পৃষ্ঠাত

## ছিংগাপুৰৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ



ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত ৩ পৃষ্ঠাত চাওক

### অভিযোগ কংগ্ৰেছ নেতা মনোজ চৌহানৰ

## ছিংগাপুৰ, ডুবাইত হিমন্তৰ শ্বপিং মল!

গুৱাহাটী, ১১ ফেব্ৰুৱাৰীঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শেষাংশ ৩ পৃষ্ঠাত

## মোদী অহাৰ দিনাই আন্দোলন ঘোষণা টাইপাৰ

ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ ২৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ ৫ পৃষ্ঠাত চাওক

### পেৰিছ সন্মিলনত প্ৰধানমন্ত্ৰী মোদী

## এআইৰ জৰিয়তে সলনি হৈ পৰিব মানৱ সভ্যতাৰ বহু কথা



পেৰিছ, ১১ ফেব্ৰুৱাৰীঃ কৃত্ৰিম বুদ্ধিমত্তাই সলনি কৰিব পাৰে লাখ লাখ মানুহৰ জীৱন, কিন্তু ইয়াৰ মাজত লুকাই আছে সম্ভাৱ্য শেষাংশ ২ পৃষ্ঠাত

## বিজেপিৰ সুৰত অখিলক প্ৰত্যুত্তৰ কংগ্ৰেছৰ জাকিৰৰ!

### সক্ৰিয় 'মিত্ৰতা বিৰোধী' শিবিৰ

ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ গুৱাহাটীৰ হোটেল লিলিত বাৰে বাৰে বৈঠক পাতিও উপ-নিৰ্বাচনত সমূহীয়া প্ৰাৰ্থী থিয় কৰোৱাত বিফল হোৱা বিৰোধী ৪ পৃষ্ঠাত চাওক

**বিৰোধীৰ ঐক্যক লৈ বিধায়ক অখিলে দিলে তিনিটাকৈ চৰ্ত, দিলে ডেটলাইন**






প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিলিট নকৰিব তথ্য! নিৰ্দেশ নিৰ্বাচন

ব্যক্ত কৰি আহিছে বিভিন্নজনে। এইবাৰ ইভিএমক লৈ চলি অহা সেই বিতৰ্কত ইন্ধন যোগালে উচ্চতম ন্যায়ালয়ৰ এক নিৰ্দেশে। ভোটদানৰ পিছত ইভিএমৰ পৰা কোনো তথ্য ডিলিট কৰিব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছে। আদালতে পৰ্যবেক্ষণ কৰে যে নিৰ্বাচন আয়োগে ইভিএমৰ সৈতে জড়িত সকলো তথ্য সংৰক্ষণ কৰিব লাগিব আৰু ভোটদানৰ পিছতো ইয়াৰ ‘মেম’ৰি’ পৰীক্ষা কৰিব লাগিব।এই গোচৰৰ আবেদনকাৰী এছ’চিয়েশ্যন ফৰ ডেম’ক্ৰেটিক ৰিফৰ্মছ চমুকৈ এডিআৰে আদালতত যুক্তি দিয়ে যে ভোটদানৰ পিছতো ইভিএম সংৰক্ষণ আৰু পৰীক্ষণৰ ব্যৱস্থা আয়োগৰ এছঅ’পিত অন্তৰ্ভুক্ত কৰা উচিত। তেওঁলোকে দাবী কৰে যে ইভিএমৰ হাৰ্ডৱেৰ আৰু চফটৱেৰ বিশ্লেষণ কৰি বুজিব লাগে যে ইয়াক কোনো ধৰণে হেক কৰাটো সম্ভৱ নেকি। মঙলবাৰে এই গোচৰৰ শুনানি গ্ৰহণ কৰে মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দিপাংকৰ দত্তৰ বিচাৰপীঠে। আদালতে কয়, "অনুগ্ৰহ কৰি ইভিএম ডাটা ডিলিট বা ৰিলোড নকৰিব। অন্ততঃ কোনোৱে পৰীক্ষা কৰা উচিত।" উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণে আয়োগৰ ভূমিকা আৰু কঠোৰ কৰি তুলিছে, কিয়নো ভোটদান সম্পৰ্কীয় সকলো তথ্য আদালতৰ নিৰ্দেশ অনুসৰি সংৰক্ষণ কৰিব লাগিব। ইফালে, শেহতীয়া নিৰ্বাচনত পৰাস্ত হোৱা বিৰোধী দলসমূহে হাৰিয়ানা আৰু মহাৰাষ্ট্ৰকে ধৰি ইভিএমৰ খেলিমেলিৰ অভিযোগ বাৰে বাৰে উত্থাপন কৰি আহিছে। অৱশ্যে নিৰ্বাচন আয়োগে প্ৰতিবাৰেই এই অভিযোগ খাৰিজ কৰিছে। বিগত সময়ত ইভিএম বিলুপ্তিৰ দাবীত একাধিক গোচৰ আৰু আন্দোলন চলি আহিছে যদিও উচ্চতম ন্যায়ালয়ে কেতিয়াও ইভিএম বিলুপ্তিৰ নিৰ্দেশ দিয়া নাই। এই নিৰ্দেশে বিৰোধীৰ অভিযোগক সামান্য হ’লেও ন্যায্যতা প্ৰদান কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# এআইৰ জৰিয়তে সলনি হৈ পৰিব

বিপদো। পেৰিছত অনুষ্ঠিত এআই সন্মিলনত এই বিষয়টো উত্থাপন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তেওঁ কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰে বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰত, স্বাস্থ্য, শিক্ষা, কৃষিৰ পৰা আৰম্ভ কৰি বিপ্লৱ আনিব পাৰে, কিন্তু ইয়াৰ নেতিবাচক পৰিণতিৰ প্ৰতিও সাৱধান হ’ব লাগিব। বিশেষকৈ তেওঁ এআইৰ বাবে চাকৰি হেৰুৱাৰ ভয়ৰ কথাও সোঁৱৰাই দিয়ে। অৱশ্যে প্ৰযুক্তিৰ উন্নতিৰ লগে লগে নতুন ধৰণৰ কৰ্মসংস্থাপনৰ সৃষ্টি হ’ব বুলিও তেওঁ আশ্বাস দিয়ে। সোমবাৰে দুদিনীয়া ভ্ৰমণৰ বাবে ফ্ৰান্সত উপস্থিত হয় মোদী। মঙলবাৰে পেৰিছত অনুষ্ঠিত হোৱা এআই সন্মিলনত তেওঁ এইদৰে কয়। তাত তেওঁ এআইৰ সুবিধা আৰু অসুবিধাৰ বিষয়ে বিতংভাৱে আলোচনা কৰে। মোদীৰ মতে, "এআইয়ে এনে এখন পৃথিৱী সৃষ্টি কৰিব পাৰে য’ত দ্ৰুত বিকাশ সম্ভৱপৰ।" তেওঁৰ মতে এআই কেৱল মানুহৰ উপকাৰৰ বাবেহে ব্যৱহাৰ কৰা উচিত, অন্যথা ইয়াৰ নেতিবাচক প্ৰভাৱ বিপদজনক হৈ উঠিব পাৰে। চাকৰি হেৰুৱাৰ ভয় সন্দৰ্ভত মোদীয়ে কয় যে প্ৰযুক্তিৰ বিকাশৰ লগে লগে মানুহৰ কাম কৰাৰ ধৰণ সলনি হয়, কিন্তু কৰ্মসংস্থাপন নাইকিয়া নহয়। বৰঞ্চ নতুন সুযোগৰ সৃষ্টি হয়। সেই সুযোগৰ সুবিধা ল’বলৈ হ’লে মানুহক এআই-বন্ধুত্বপূৰ্ণ কৰি তোলাৰ প্ৰয়োজন। এই প্ৰসংগত মোদীয়ে কয় যে এআইৰ বিকাশৰ বাবে ‘সেউজ শক্তি’ৰ প্ৰয়োজন হ’ব আৰু ভাৰত আৰু ফ্ৰান্সে যৌথভাৱে সৌৰশক্তিৰ ব্যৱহাৰ বৃদ্ধিৰ পৰিকল্পনা কৰিছে। ভাৰতত এআই প্ৰযুক্তি বিকাশৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ ওপৰতো প্ৰধানমন্ত্ৰীয়ে আলোকপাত কৰে। তেওঁ কয় যে দেশৰ ১৪ কোটি লোকৰ বাবে এক শক্তিশালী ডিজিটেল আন্তঃগাঁথনি সৃষ্টি কৰা হৈছে, কম খৰচত ইণ্টাৰনেটৰ সুবিধা প্ৰদান কৰা হৈছে, যিয়ে এআই প্ৰযুক্তিৰ প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁৰ ভাষাত, "সকলোৰে বাবে এআই ড্ৰাইভত ভাৰত আগবাঢ়ি আছে।" ভাষিক বৈচিত্ৰ্যৰ কথা মনত ৰাখি এআই প্ৰযুক্তিৰ অধিক বিকাশ কৰা হৈছে বুলিও তেওঁ কয়। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ২০২৩ চনত ব্ৰিটেইনত, ২০২৪ চনত দক্ষিণ কোৰিয়াত আৰু এইবাৰ ফ্ৰান্সত এআই সন্মিলন অনুষ্ঠিত হৈছে। এই সন্মিলনৰ মূল লক্ষ্য হৈছে এআই প্ৰযুক্তিৰ নৈতিক আৰু নিৰাপদ ব্যৱহাৰৰ বাবে দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰা। মঙলবাৰে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনৰ সৈতে মোদীয়ে সাক্ষাৎ কৰে। বুধবাৰে মাৰ্চেইলৰ মাজাৰগেছ যুদ্ধ সমাধিক্ষেত্ৰত ভাৰতীয় শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

# সৌৰ শক্তি প্ৰকল্পৰ নামত প্ৰতাৰণা! মুখ্য কাৰ্যবাহী সদস্যক স্থিতি স্পষ্ট কৰাৰ আহ্বান ইণ্ডিজেনাছ পিপ’লছ পাৰ্টিৰ

**ই-সংবাদ, ডিফু, ১১ ফেব্ৰুৱাৰীঃ** মুখ্যমন্ত্ৰীৰ সৌৰ শক্তি প্ৰকল্পক লৈ চলি থকা বিৰ্তকক আজি ইণ্ডিজেনাচ পিপুলচ পাৰ্টিয়ে এক সংবাদ মেলযোগে নতুন মাত্ৰা প্ৰদান কৰে। অসম চৰকাৰৰ কেবিনেট সভাত ৩১ মাৰ্চ ২০২৩ চনত অনুমোদিত দেশৰ ভিতৰতে অন্যতম বৃহৎ এই প্ৰকল্পৰ বাবে ২০২২-২৩ চনৰ বাজেটত অনুমোদন জনোৱা হয় । দৈনিক ১০০০ মেগাৱাট বিদ্যুত উৎপাদন কৰিব লগা এই প্ৰকল্পৰ বাবে এপিডিচিএলক এছিয়ান ডেভেলপমেণ্ট বেংকে পুঁজিৰ যোগান ধৰিছে। মুখ্যমন্ত্ৰীৰ সপোনৰ প্ৰকল্পটো ৰূপায়ণৰ বাবে কাৰবি আংলং স্বায়ত্বশাসিত পৰিষদে বৰজানত ১৮ হাজাৰ বিঘা মাটি এপিডিচিএলৰ নামত আবণ্টন দিছে। কিন্তু ইয়াকে লৈ দীৰ্ঘদিনৰ পৰা চলি আছে বিৰ্তক। পৰিষদে উক্ত এলেকাটোত বিশেষ জনবসতি নাই বুলি কোৱাৰ বিপৰীতে আন আন দল-সংগঠনে সেয়া জনবসতি আৰু কৃষিভূমি বুলি দাবী কৰি তাত সৌৰ প্ৰকল্প স্থাপনৰ বিৰোধিতা কৰি আহিছে। পৰিষদে তাত বসতি কৰা লোকসকলক উপযুক্ত



ক্ষতিপূৰণ দিব বুলিও স্পষ্ট কৰিছে যদিও আজিলৈকে পৰিষদে তাত বসতি কৰা লোক সকলক ক্ষতিপূৰণ কিমানকৈ দিব সেয়া স্পষ্ট কৰা নাই। আজি ডিফুৰ ফ্লটিং বিউটি নামৰ হোটেলখনত ইণ্ডিজেনাচ পিপুলছ পাৰ্টিৰ নেতাসকলে এক সংবাদমেল সম্বোধন কৰি কিছুমান তথ্য ৰাজহুৱা কৰে। তেওঁলোকে দাখিল কৰা তথ্য অনুসৰি পৰিষদৰ মতে ১৮ হাজাৰ বিঘা মাটিৰ ১৪৯৮ বিঘা মাটি পাহাৰীয়া জনজাতি লোকৰ। কাৰবি আংলং স্বায়ত্বশাসিত পৰিষদে ২০২৪ চনৰ ১৭ ফেব্ৰুৱাৰীত দাখিল কৰা ৰিপৰ্ট অনুসৰি প্ৰকল্পৰ বাবে ক্ষতিগ্ৰস্ত হোৱা লোকৰ সংখ্যা ১২৭৭ টা পৰিয়াল। কিন্তু পুনৰ চৰজমিন তদন্ত কৰি ২২ জুলাই ২০২৪ চনত দিয়া তথ্য অনুসৰি ১৩৫০ টা পৰিয়াল আৰু কৃষিভূমি ক্ষতিগ্ৰস্ত হ’ব। এছিয়ান ডেভেলপমেণ্ট বেংকৰ নিয়ম অনুসৰি প্ৰকল্পৰ মাটি অধিগ্ৰহণৰ আগতেই ক্ষতিগ্ৰস্ত লোকক ক্ষতিপূৰণ দিয়া হয়। কিন্তু এতিয়া বৰজান এলেকাত তেনে হোৱা নাই। আনকি ক্ষতিপূৰণ কোনে কিমান পাব তাৰো কোনো নিৰ্দিষ্ট তথ্য গাৱঁৰ ৰাইজক পৰিষদে জনোৱা নাই। সেয়ে দলটোৱে তথ্য সহকাৰে কয় যে বিষয়টো লৈ তেওঁলোকে ৰাষ্ট্ৰসংঘৰ ইণ্ডিজেনাচ পিপুলছ ৰাইট উইঙৰ লগত সকলো কথা পাতিছে। খিলঞ্জীয়া লোকক ভাতে মাৰি মুখ্যমন্ত্ৰীৰ সপোনৰ প্ৰকল্প স্থাপনৰ বাবে আগবাঢ়া পৰিষদক সেয়ে দলটোৱে সকলো কথা ৰাজহুৱা কৰাৰ আহৱান জনায়। মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙক সেই অঞ্চলৰ জনতাক নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি মনত পেলাবলৈ আহৱান জনায়। ক্ষতিপূৰণ দিয়াৰ নামত এচাম দালালে ৰাইজক প্ৰতাৰণা কৰাৰ জাল পেলোৱাৰ অভিযোগ কৰি দলটোৱে জাতীয় সংগঠন, বুদ্ধিজীৱী সমাজক বিষয়টোক লৈ মাত মতাৰ বাবেও অনুৰোধ কৰে। তেওঁলোকে ক্ষতিগ্ৰস্ত জনতাৰ হৈ মাত মাতি যাব বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিংগাপুৰৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ মুখ্যমন্ত্ৰীৰ

গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এডভাণ্টেজ আছাম-২.০ৰ বাবে ছিংগাপুৰৰ ৰাষ্ট্ৰপতি, মন্ত্ৰী আৰু বিনিয়োগকাৰীক সাক্ষাতৰ উদ্দেশ্যে সোমবাৰে ছিংগাপুৰত উপস্থিত হয়। ছিংগাপুৰত ভাৰতৰ উচ্চায়ুক্ত ড০ শিল্পক আম্বুলেই তেওঁক আদৰণি জনায়। আজি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰাটনামৰ সৈতে সাক্ষাতত মিলিত হয়। যথাৰ্থতে বহিঃৰাষ্ট্ৰৰ সন্মানীয় এগৰাকী ৰাষ্ট্ৰপতিৰ সৈতে অসমৰ মুখ্যমন্ত্ৰীৰ এই সাক্ষাতে এক বিশেষ চৰ্চা লাভ কৰিছে। ৰাষ্ট্ৰপতিৰ সৈতে উক্ত আলোচনাত অসমৰ সৈতে চলিত সহযোগিতামূলক প্ৰকল্পসমূহক সামৰি লোৱা হৈছিল। লগতে ভাৰত-ছিংগাপুৰৰ ব্যাপক কৌশলগত অংশীদাৰিত্বৰ মূল স্তম্ভ হিচাপে অসমৰ ভূমিকাৰ দিশত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। তদুপৰি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ছিংগাপুৰৰ মূল্যৱান সমৰ্থনকো উক্ত আলোচনাত সামৰি লোৱা হয়। ২০২২ চনত ৰাষ্ট্ৰপতিগৰাকীৰ অসম ভ্ৰমণৰ অভিজ্ঞতা তথা সুমধুৰ স্মৃতিও ৰাষ্ট্ৰপতিগৰাকীয়ে ৰোমন্থন কৰে। ছিংগাপুৰৰ মহামহিম ৰাষ্ট্ৰপতি থাৰমান ছানমুগাৰাটনামৰ সৈতে স্মৰণীয় সাক্ষাতৰ সময়ত মনৰ অনুভৱ লিপিবদ্ধ কৰি 'এয়া এক পৰম ধন্য ক্ষণ' বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ছিংগাপুৰৰ অংশীদাৰিত্বৰ বাবে মুখ্যমন্ত্ৰীয়ে শলাগ লৈ মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে, "ছেমিকণ্ডাক্টৰ, সেউজ শক্তি আৰু উন্নত প্ৰযুক্তিৰ দৰে আমাৰ উদীয়মান খণ্ডসমূহত ৰাষ্ট্ৰখনৰ সৈতে সহযোগিতামূলক সম্পৰ্কক সবলীকৰণৰ আমি পোষকতা কৰিছোঁ।" ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰত ছেমিকণ্ডাক্টৰ উদ্যোগৰ নেতৃবৃন্দৰ সৈতে এক ফলপ্ৰসূ আলোচনাত মিলিত হৈ দিনটোৰ আৰম্ভণি কৰে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে ব্যক্ত কৰে, ছেমিকণ্ডাক্টৰ হৈছে ভাৰত-ছিংগাপুৰৰ পাৰস্পৰিক সহযোগিতাৰ এক গুৰুত্বপূৰ্ণ দিশ। মই তেওঁলোকক জাগীৰোডত হ'বলগীয়া ইলেক্ট্ৰনিক চিটীত আমাৰ সৈতে অংশীদাৰ হ'বলৈ আমন্ত্ৰণ জনাইছো। উল্লেখ্য যে, উক্ত বৈঠকত এ এছ এম পি টি, এ ই এম, বেছি, টামাছেক, ছিলিকন বক্স, নিটো ডেংকো কৰ্প, হেলাৰ ইণ্ডাষ্ট্ৰিজ আৰু মেইনধাৰ্ট দৰে বিখ্যাত গ্ৰুপৰ নেতাবৃন্দ উপস্থিত থাকে। তেওঁ কয় যে মই তেখেতসকলক জাগীৰোডত হ'বলগীয়া ইলেক্ট্ৰনিক চিটীত আমাৰ সৈতে অংশীদাৰ হ'বলৈ আমন্ত্ৰণ জনাইছো। বৈঠকত যোগদান কৰাৰ বাবে এ এছ এম পি টি, এ ই এম, বেছি, টামাছেক, ছিলিকন বক্স, নিট্টো ডেংকো কৰ্প, হেলাৰ ইণ্ডাষ্ট্ৰিজ আৰু মেইনধাৰ্ট গ্ৰুপৰ নেতাসকলক মুখ্যমন্ত্ৰীগৰাকীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে অসমক আৰু অধিক গতিশীলতা প্ৰদান কৰিবলৈ প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰৱৰ্তী সময়ত ড০ হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰত লো চেৰ এক আৰু তেওঁৰ দলৰ সৈতে অসমত ছাৰ্বানা জুৰঙৰ বিদ্যমান প্ৰকল্পসমূহৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ছিংগাপুৰৰ নগৰ পৰিকল্পনাৰ বিশেষ দক্ষতাৰ জৰিয়তে অসমৰ ভৱিষ্যতৰ চহৰ আৰু ঔদ্যোগিক উদ্যান নিৰ্মাণ তথা অসমৰ লোকসকলৰ জীৱন ধাৰণৰ সহজতা বৃদ্ধিৰ দিশত তেওঁলোকক কাম কৰাৰ পোষকতা কৰে মুখ্যমন্ত্ৰীয়ে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছিংগাপুৰ আই টি ইৰ শিক্ষা সেৱাৰ মুখ্য কাৰ্যবাহী বিষয়া সুৰেশ নটৰাজন আৰু তেওঁৰ দলৰ সৈতে এক বিশেষ বৈঠকত মিলিত হয়।

মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰে যে কাৰিকৰী শিক্ষা, কৰ্মশক্তিৰ তৎপৰতা আৰু সামাজিক গতিশীলতা উন্নত কৰিবলৈ দক্ষ কৰ্মশক্তিৰ এক বৃহৎ গোট বিকশিত কৰাৰ দিশত তেওঁলোকৰ দৃষ্টিভংগী আৰু অসমৰ লক্ষ্য ওতঃপ্ৰোতভাৱে সংযোজিত। আগন্তুক মাহসমূহত অসম দক্ষতা বিশ্ববিদ্যালয় আৰু আই টি ই-ছিংগাপুৰৰ মাজত ঘনিষ্ঠ সহযোগিতামূলক কৰ্মৰাজি দেখিবলৈ পোৱাৰ আশা ব্যক্ত কৰাৰ লগতে ব্যক্তিগত খণ্ডৰ উপৰি অসমত বিশ্ব দক্ষতা কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰতো তেওঁলোকৰ বিশেষ দক্ষতাৰ ব্যৱহাৰেৰে উপায় অন্বেষণৰ কথাও উল্লেখ কৰে। এই সময়ত নিপুণ দক্ষতাৰে ঔদ্যোগিক সমাধানত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা ফেকাল্টীৰ মান আৰু উদ্যোগ বিশেষ বৈমানিক পৰীক্ষাগাৰ, স্মাৰ্ট নিৰ্মাণ আৰু ইলেক্ট্ৰনিকছ সম্পৰ্কেও মুখ্যমন্ত্ৰীয়ে বুজাৰ প্ৰয়াস কৰে। ছিংগাপুৰ ভ্ৰমণৰ সময়ত আজি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ছিংগাপুৰৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভিভিয়ান বালাকৃষ্ণনক সাক্ষাৎ কৰি ভাৰতৰ এক্ট ইষ্ট নীতিৰ সামগ্ৰিক পৰিকাঠামোৰ অধীনত অসম আৰু ছিংগাপুৰৰ মাজত বিদ্যমান অংশীদাৰিত্ব সুদৃঢ় কৰাৰ দিশত বাৰ্তালাপ কৰে। উল্লেখ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰে এডভাণ্টেজ আছাম-২.০ক অসমৰ উন্নয়নৰ গতিশীলতাক অধিক বৃদ্ধি কৰিবলৈ এক মঞ্চ হিচাপে ব্যৱহাৰ কৰিছে। এই লক্ষ্যক সাৱোগত কৰিয়েই মুখ্যমন্ত্ৰীয়ে ভুটান, দক্ষিণ কোৰিয়া, জাপান, ছিংগাপুৰ আদিৰ দৰে উন্নত ৰাষ্ট্ৰসমূহৰ সৈতে সংযোগ স্থাপন কৰিছে। বুধবাৰৰ দিনটোও মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰত অতিবাহিত কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছিংগাপুৰ, ডুবাইত হিমন্তৰ শ্বপিং মল!

বিদেশলৈ গৈ অসমৰ বাবে বিনিয়োগকাৰী নিমন্ত্ৰণ কৰিছে যদিও মুখ্যমন্ত্ৰীজনে নিজে কিন্তু বিদেশী ৰাষ্ট্ৰত ধন বিনিয়োগ কৰি ব্যৱসায় কৰি আহিছে। ডুবাই আৰু ছিংগাপুৰত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শ্বপিং মল আৰু ৰেষ্টুৰেণ্টৰ ব্যৱসায়ত বিনিয়োগ কৰা বুলি আজি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে নিখিল ভাৰত কংগ্ৰেছৰ অসমৰ দায়িত্বত থকা সম্পাদক মনোজ চৌহানে। আজি গুৱাহাটীত মানৱেন্দ্ৰ শৰ্মা কমপ্লেক্সত গুৱাহাটী মনাহনগৰ জিলা কংগ্ৰেছৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰাৰ পিছত সাংবাদিকৰে হোৱা মুখামুখিত কংগ্ৰেছ নেতা চৌহানে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়লা, বালি, শিল, চুপাৰি সকলোতে ছিণ্ডিকেট লগাই ৪০ শতাংশ ধন নিজে সংগ্ৰহ কৰি বিদেশত ব্যৱসায় অব্যাহত ৰাখিছে। কংগ্ৰেছ নেতাজনে কয় যে তেওঁ সঘনাই সেইবাবে ডুবাই আৰু ছিংগাপুৰলৈ গৈ থাকে। উল্লেখ্য যে, ছিংগাপুৰত অসমৰ বাবে বিনিয়োগকাৰী বিচাৰি যোৱা মুখ্যমন্ত্ৰীজনক কটাক্ষ কৰি কংগ্ৰেছ নেতা চৌহানে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজে অসমত বিনিয়োগ কৰিব পাৰে যদিও তেওঁ বিদেশততহে ব্যৱসায় চলাইছে। প্ৰসংগক্ৰমে অহা ১৫ মাৰ্চৰ ভিতৰত সমগ্ৰ অসমত কংগ্ৰেছৰ সাংগঠনিক পৰ্যালোচনা চলিব আৰু সংগঠনক অধিক শক্তিশালী কৰিবৰ বাবে চেষ্টা অব্যাহত ৰাখিব। ইফালে, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই চোতালে চোতালে কাৰ্যসূচীত অংশগ্ৰহণ কৰি জনসম্পৰ্ক ৰক্ষা কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ডিগবৈ আৰু লাহোৱাল শ শ মানুহৰ ঘৰে ঘৰে গৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে ৰাইজৰ লগত বাৰ্তালাপ কৰে আৰু বিজেপি নেতৃত্বাধীন চৰকাৰৰ ভ্ৰষ্টাচাৰ আৰু অনিয়মৰ পৃষ্ঠাসমূহ উদঙাই দিয়ে। ইফালে, গুৱাহাটীত আজি মহানগৰ জিলা কংগ্ৰেছৰ আটাইকেইটা ব্লক কংগ্ৰেছৰ সভাপতি আৰু তত্বাৱধায়কসকলক লৈ এখন গুৰুত্বপূৰ্ণ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাত গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মা, প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ-সভাপতি নৱ তালুকদাৰ, জ্যেষ্ঠ সাধাৰণ সম্পাদক প্ৰদ্যুৎ ভূঞা, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা, গুৱাহাটীৰ প্ৰাক্তন মেয়ৰ কুশল শৰ্মাসহ বহু নেতা উপস্থিত থাকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# বৰমাত আৰক্ষীৰ জালত পৰিল চাইবাৰ অপৰাধী ছহিদুল

**ই-সংবাদ, বৰমা, ১১ ফেব্ৰুৱাৰীঃ** বাক্সাৰ বৰমা মহাবিদ্যালয়ৰ ছাত্ৰীৰ লাখে লাখে ধন হৰলুকি কৰা চাইবাৰ অপৰাধীৰ কাণ্ডাৰী অৱশেষত বৰমা আৰক্ষীৰ জালত পৰিছে। বৰমা মহাবিদ্যালয়ৰ মেধাৱী শিক্ষাৰ্থীৰ এনএছপি ঈশান উদয় আঁচনিৰ ধন হৰলুকী কৰি পলাতক হৈ আছিল মুল অভিযুক্ত ছহিদুল ইছলাম ওৰফে চিজুল ইছলাম। বাক্সাৰ বৰমা আৰক্ষীয়ে আত্মগোপন কৰি থকা অৱস্থাত আটক কৰে চাইবাৰ অপৰাধী ছহিদুল ইছলামক। বাক্সা জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক গীতাৰ্থ শৰ্মাৰ নেতৃত্বত চাইবাৰ অপৰাধীটোক ধৰিবলৈ অভিযান চলোৱা হৈছিল। ইতিপূৰ্বে দুজন চাইবাৰ অপৰাধীক বৰমা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে। সম্প্ৰতি বৰমা আৰক্ষীয়ে ধৃত চাইবাৰ অপৰাধী ছহিদুল ইছলামক জিম্মাত লৈ অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# হৃদৰোগত আক্ৰান্ত হৈ জ্যেষ্ঠ ভিডিঅ’ সাংবাদিক পল্লৱ বৰাৰ দেহাৱসান

**ই-সংবাদ, ১১ ফেব্ৰুৱাৰীঃ** তিনিটা দশক ধৰি অসমৰ সংবাদ জগতত সক্ৰিয়ভাৱে কৰ্মৰত ৰাজ্যৰ জ্যেষ্ঠ ভিডিঅ’ সাংবাদিক পল্লৱ বৰাৰ আজি দেহাৱসান ঘটে। আজি পুৱা হৃদৰোগত আক্ৰান্ত হৈছিল জ্যেষ্ঠ ভিডিঅ’ সাংবাদিক বৰা। হৃদৰোগত আক্ৰান্ত হোৱাৰ পিছতে তেওঁ মৃত্যুক আকোৱালি লয়। কেমেৰাৰ পিছফালে থাকি ৰাষ্ট্ৰীয় আৰু অসমৰ বহু চৰ্চিত একাধিক সংবাদ সংগ্ৰহ কৰা পল্লৱ বৰাই ৪৯ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। ৰাষ্ট্ৰীয় সংবাদ গোষ্ঠী ইটিভি, এবিপি, ষ্টাৰ নিউজৰ লগতে ৰাজ্যৰ কেইবাটাও সংবাদ প্ৰতিষ্ঠানত সেৱা আগবঢ়াইছে। ৰাজ্যৰ কেইবাটাও ছপা আৰু ডিজিটেল সংবাদ প্ৰতিষ্ঠানত সাংবাদিকতা কৰিছিল বৰাই। আজি দিনৰ ভাগত বৰাৰ নশ্বৰদেহ গুৱাহাটী প্ৰেছ ক্লাৱলৈ নিয়া হয়। গুৱাহাটী প্ৰেছ ক্লাৱত জ্যেষ্ঠ-কনিষ্ঠ সাংবাদিকসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গুৱাহাটীৰ নৱগ্ৰহ শ্মশানত বৰাৰ শেষকৃত্য সম্পন্ন কৰা হয়। ইহ-সংসাৰত



পুত্ৰ, পত্নীক এৰি থৈ যায়। টিজি বৰুৱা মিডিয়া ক্ৰিকেটত অংশগ্ৰহণ কৰাৰ কথা থকা বৰাৰ নামত প্ৰতিযোগিতাখনত মেন অফ দ্যা মেচ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ সুৰত অখিলক প্ৰত্যুত্তৰ

ঐক্যৰ তিনি মুখ্য বিৰোধী দল কংগ্ৰেছ, অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেৰ মাজত খোৱা-কামোৰা, বাদ-বিবাদ, তৰ্কা-তৰ্কি অব্যাহত আছে। ২০২৬ চনত বিৰোধীৰ অসম সন্মিলিত মঞ্চ আকৌ এবাৰ ঢেকুৰাৰ ঠাৰি সিজোৱাৰ দৰে হৈ পৰাৰ উপক্ৰম ঘটিছে। মুখত বিৰোধীৰ ঐক্যৰ কথা কৈ বিজেপিক পৰাভূত কৰাৰ কথা আওৱাই থাকে যদিও বাস্তৱত তেনে হোৱা দেখা নাযায়। বিৰোধীৰ দলকেইটাৰ নেতৃত্ব লৈ অহা আটাইকেইগৰাকী নেতাৰ দুৰ্বলতাৰ বাবেই বাৰে বাৰে অসম ঐক্য মঞ্চৰ বেনাৰত নিৰ্বাচনত অৱতীৰ্ণ হোৱাত বিফল হোৱা দেখা গৈছে। ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ সময়ত বিহালী সমষ্টিটো চিপিআইএমএলক এৰি দিয়াৰ প্ৰতিশ্ৰুতি দি কংগ্ৰেছে অৱশেষত নিজাববীয়াকৈ প্ৰাৰ্থী থিয় কৰোৱাই মিত্ৰতাৰ ধৰ্ম পালন কৰা নাছিল। কংগ্ৰেছ আৰু আন বিৰোধীয়ে পৃথকে পৃথকে প্ৰাৰ্থী থিয় কৰোৱাত বিজেপি প্ৰাৰ্থীৰ ৰাস্তা মুকলি হৈছিল। তেতিয়াৰ পৰাই অখিল গগৈ, লুৰীণজ্যোতি গগৈ আৰু কংগ্ৰেছ নেতাৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত আছে। বিধানসভা নিৰ্বাচনৰ বাবে মাজত মাথো এটা এবছৰ বৈ গৈছে যদিও বিৰোধীয়ে ঐক্যমতত উপনীত হ’ব পৰা নাই। ইটো দলৰ নেতাক সিটো দলৰ নেতাই তীব্ৰ বাক্যবাণেৰে আক্ৰমণ কৰাৰ অশুভ পৰম্পৰা বৰ্তি আছে। বিৰোধীৰ মিত্ৰজোঁট এতিয়া ল’ৰা-ধেমালি হৈ পৰিল। কংগ্ৰেছ, ৰাইজৰ দল আৰু অসম জাতীয় পৰিষদে ৰাইজৰ মৌলিক সমস্যাৰ বিপৰীতে বিজেপিক লাভৱান হ’ব পৰাকৈ বাতুলামি কথা-বতৰাৰে তাল-মিলহীন চৰ্চা কৰা বিষয়টোৱে ৰাইজক আমুৱাইছে। ক্ষমতাৰ সোঁৱাদ ল’বলৈ উদগ্ৰীৱ বিৰোধীৰ নেতাসকলে মূল্যবৃদ্ধি, কৰ-কাটল, টোলগেট, স্মাৰ্ট মিটাৰ আদি বিষয়ৰ চৰ্চা নকৰি টোঘলকী কাণ্ড কৰি যোৱাৰ অভিযোগ উত্থাপন হৈছে। বিশেষকৈ অখিল গগৈৰে শেহতীয়া স্থিতি, লাগবান্ধহীন কথা-বতৰাৰ ফলত ৰাইজৰ সমস্যাৰ চৰ্চাৰ বিপৰীতে লঘু আৰু তৰল কথাৰেহে চৰ্চা হৈ থকা দেখা গৈছে। অখিল গগৈয়ে বাৰে বাৰে কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদক লৈ বাৰেবিংকৰা কথাৰে আক্ৰমণ কৰি আহিছে। দুটা বছৰ পূৰ্বৰে পৰা উপ-নিৰ্বাচনৰ পিছৰে পৰা ৰাইজৰ দল অবিহনে কোনেও চৰকাৰ গঠন কৰিব নোৱাৰে, ২৬ খন আসন লাভ কৰিম, ১২৬ খন আসনত খেলিবলৈ সাজু আদি কথা কৈ অখিল গগৈয়ে বাৰে বাৰে মুখ চুপতি মাৰি আহিছে। সমানে কংগ্ৰেছৰ নেতা তথা সাংসদ গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকো আক্ৰমণ কৰিছিল অখিল গগৈয়ে। অসমৰ বিৰোধী দলসমূহৰ একতা বুমেৰাং হৈ পৰাৰ সময়তে পুনৰবাৰ মিত্ৰতাক লৈ অখিল গগৈ সোচ্ছাৰ হৈছে। আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি অখিল গগৈয়ে কংগ্ৰেছক তিনিটা চৰ্ত বান্ধি দিছে। ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। অখিল গগৈয়ে মিত্ৰতাক লৈ প্ৰথমটো চৰ্ত দি কয় যে সকলো বিৰোধী দলৰ বৈঠক অনুষ্ঠিত কৰা। দ্বিতীয়টো চৰ্ত বান্ধি দি পৃথকে পৃথকে প্ৰচাৰ কৰাতকৈ সকলো বিৰোধী দল একেলগে ৰাইজৰ ওচৰলৈ যাব লাগে। তৃতীয়তে ৩১ মাৰ্চৰ ভিতৰত সমষ্টিৰ ভাগ-বাটোৱাৰা ঠিক কৰিব লাগিব। এতিয়া প্ৰশ্ন হৈছে অখিল গগৈয়ে বাৰে বাৰে কংগ্ৰেছক চৰ্ত বান্ধি দি আছে কিয়? বিৰোধী দলসমূহে এক মঞ্চত থিয় দি ৰাইজক কি প্ৰতিশ্ৰুতি দিব তাৰ বাবে ভৱিষ্যত কৰ্মপন্থা তৈয়াৰ কৰি লোৱাৰ সময়ত অখিল গগৈয়ে মিত্ৰতাৰ সমস্ত বিষয়বস্তুক জটিলতাৰ ফালে নিয়াৰ অভিযোগ উত্থাপন হৈছে। অখিল গগৈয়ে বাৰে বাৰে চৰ্ত বান্ধি দি প্ৰকৃততে কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদক শলঠেকত পেলাব খুজিছে নেকি? এনেদৰে চৰ্ত বান্ধি দি থাকিলে যদি কংগ্ৰেছৰ বাবে মিত্ৰতা কৰাটো সম্ভৱ তেন্তে অখিল গগৈয়ে কংগ্ৰেছৰ বাবে মিত্ৰতা নকৰো বুলি কৈ ১২৬টা সমষ্টিত প্ৰাৰ্থী থিয় কৰাব। মিত্ৰতা সম্ভৱ নোহোৱাৰ বাবে কংগ্ৰেছক দোষাৰোপ কৰি অখিলে ১২৬টা সমষ্টিত প্ৰাৰ্থী থিয় কৰালে বিজেপিৰ বাবে পথ অতি মসৃণ হৈ পৰিব সেয়া খাতাং। এয়া কংগ্ৰেছৰ বাবে অভিশাপ হ’লেও বিজেপিৰ বাবে অখিলৰ সিদ্ধান্ত হ’ব শ্ৰেষ্ঠ উপহাৰ। অখিল গগৈৰ আহ্বানক সঁহাৰি জনোৱাৰ পৰিৱৰ্তে তীব্ৰ আক্ৰমণ কৰিছে প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে। জাকিৰ হুছেইনে শিকদাৰে কয় যে প্ৰেম আৰু মিত্ৰতাত চৰ্ত নাথাকে। জাকিৰ হুছেইন শিকদাৰে অখিল গগৈক প্ৰত্যুত্তৰ দি কয় যে আমি কাৰোবাৰ পৰামৰ্শ গ্ৰহণ কৰিম। কাৰো নিৰ্দেশ বা ডেটলাইন নুশুনো। শিকদাৰৰ এনে তাৎক্ষণিক প্ৰতিক্ৰিয়াক লৈ কংগ্ৰেছ দলৰ ভিতৰচ’ৰাতো ৰহস্যৰ সৃষ্টি হৈছে। হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ বুলি অভিযোগ উত্থাপন হৈ অহা জাকিৰ হুছেইন শিকদাৰ সংখ্যালঘু নেতা। অসমত এতিয়া সাম্প্ৰদায়িক ৰাজনীতি তুংগত উঠিছে। সেই সময়ত জাতীয়তাবাদী দলৰ নেতা বা বিজেপি দলৰ কট্টৰ নেতাই কিবা এটা ক’লেই জাকিৰ হুছেইন শিকদাৰে প্ৰতিক্ৰিয়া দিবলৈ সন্মুখলৈ আহে। ইয়াকৈ লৈও ৰহস্যৰ সৃষ্টি হৈছে। আনহাতে অখিল গগৈৰ মন্তব্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ভূপেন বৰাই কয় যে মিত্ৰতাক লৈ অখিল গগৈৰে সৈতে যোগাত্মক আলোচনা চলি আছে। মই নিজেই অখিল গগৈৰ সৈতে পৰোক্ষ বা প্ৰত্যক্ষভাৱে কথা পাতি আছো। এতিয়া এনেদৰেই আক্ৰমণ-প্ৰত্যাক্ৰমণত লিপ্ত হৈ বিজেপিক পৰাভূত কৰিবলৈ সাজু হৈছে বিৰোধী। সকলো বিৰোধী দলে অখিল গগৈৰ কথা শুনিবনে? সেয়াও লক্ষ্ণীয় হ’ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদী অহাৰ দিনাই আন্দোলন ঘোষণা

মোদী গুৱাহাটীত থকাৰ সময়ত ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ কথা ঘোষণা কৰিছে টাই আহোম যুৱ পৰিষদ চমুকৈ টাইপাই। জনজাতিকৰণ, স্বায়ত্ব শাসিত পৰিষদ গঠন, প্ৰাচীন কীৰ্তিচিহ্নসমূহ বেদখলমুক্ত কৰা, কীৰ্তিচিহ্নসমূহ সংৰক্ষণকে ধৰি কেইবাটাও দাবীক লৈ টাই আহোম যুৱ পৰিষদে প্ৰতিবাদ ঘোষণা কৰিছে। টাইপাৰ কেন্দ্ৰীয় সমিতিয়ে আজি গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় চৰকাৰ, বিজেপি চৰকাৰ আহোম জনগোষ্ঠীক ঠগ-প্ৰৱঞ্চনা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি বিজেপি দলক তীব্ৰ সমালোচনা কৰে। টাইপাৰ সভাপতি দিগন্ত তামুলী, কাৰ্যকৰী সভাপতি ভৃগু হাতীমুৰীয়া, যুটীয়া সম্পাদক দীপজ্যোতি দুৱৰা আৰু শোভন কোঁৱৰে সংবাদমেল আয়োজন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ক্ষুৰধাৰ সমালোচনা কৰে। সংগঠনৰ নেতাসকলে টাই আহোম জনগোষ্ঠীক জনজাতিকৰণৰ নামত বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে চূড়ান্ত প্ৰতাৰণা কৰা বুলি স্পষ্টি কৰে। টাইপাই তীব্ৰ ক্ষোভেৰে কয় যে অসমক ৬০০ বছৰ ৰাজনৈতিকভাৱে নেতৃত্ব প্ৰদান কৰা আৰু সাত ৰাজ মাৰি এক ৰাজ গঢ়া সূত্ৰৰে অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা টাই আহোম জনগোষ্ঠীক সকলো প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে। জনজাতিৰণ, স্বায়ত্ব শাসন আমাৰ প্ৰাপ্য অধিকাৰ। এই অধিকাৰৰ পৰা বিজেপি চৰকাৰে জনগোষ্ঠীটোক বঞ্চিত কৰিছে। টাইপাৰ সভাপতি দিগন্ত তামুলীয়ে জনজাতিকৰণৰ নামত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেৱল মিছা মাতি গৈছে বুলি অভিযোগ আনে। দাবীসমূহক লৈ সংবাদমেলখনত প্ৰতিবাদ ঘোষণা কৰিছে টাইপাই। টাইপাৰ পূৰ্বে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি জনজাতিকৰণক লৈ চূড়ান্ত প্ৰতাৰণা কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ বিৰোধিতা কৰি অহা ২৫ ফেব্ৰুৱাৰীত ৰাজ্যজুৰি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়নৰ ঘোষণা কৰে। বিগত ৪ জানুৱাৰীত দিছপুৰৰ জনতা ভৱন ঘেৰাও কৰি প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ অসম ভ্ৰমণৰ বিৰোধিতা কৰা হ'ব বুলি টাইপাৰ ঘোষণা কৰিছিল। সেই অনুসৰি জনজাতিকৰণক লৈ মিছা মতা প্ৰধানমন্ত্ৰীৰ আসম ভ্ৰমণৰ বিৰোধিতা কৰি প্ৰতিবাদ কৰাৰ ঘোষণা কৰা হৈছে। ২৫ ফেব্ৰুৱাৰীৰ দিনটোৰ পৰা প্ৰতি সপ্তাহত জনজাতিকৰণৰ দাবীত ধাৰাবাহিক একোটাকৈ কাৰ্যসূচী ৰূপায়ন কৰা হ'ব বুলি কয়। ১০ মাৰ্চত ডিব্ৰুগড়ত, ১৮ মাৰ্চত শিৱসাগৰত, ২৪ মাৰ্চত গোলাঘাট আৰু ৩১ মাৰ্চত লখিমপুৰত বিশাল গণ হুংকাৰ সমাৱেশ অনুষ্ঠিত কৰাৰ ঘোষণা কৰে। তাৰ লগতে সময়ে সময়ে জোঁৰ সমদল, মটৰ চাইকেল ৰেলী, ঘাইপথ অৱৰোধ, ৰেলপথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি টাইপাৰ সভাপতি দিগন্ত তামুলী, কাৰ্যকৰী সভাপতি ভৃগু হাতীমুৰীয়া, যুটীয়া সম্পাদক দীপজ্যোতি দুৱৰা আৰু শোভন কোঁৱৰে ঘোষণা কৰে। টাইপাৰ সভাপতি দিগন্ত তামুলীয়ে কয় যে জনজাতিকৰণ, স্বায়ত্ব শাসিত পৰিষদ, প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ বেদখলমুক্ত-সংৰক্ষণ সন্দৰ্ভত বিজেপি দল আৰু চৰকাৰে দীৰ্ঘদিন ধৰি প্ৰতাৰণা কৰি আহিছে। টাইপাকে ধৰি আহোম সংগঠনৰ দীৰ্ঘদিনীয়া দাবী স্বায়ত্ব শাসনৰ দাবীক চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে প্ৰয়োজনীয় সংৰক্ষণৰ অনুপাত নিৰ্ধাৰণৰ বাবে হিমন্ত বিশ্ব শৰ্মাক অধ্যক্ষ হিচাপে লৈ গঠন কৰি দিয়া মন্ত্ৰীগোটে আজিকোপতি কেন্দ্ৰলৈ প্ৰতিবেদন প্ৰেৰণ নকৰিলে। টাই আহোমকে ধৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি ২০১৯ চনৰ ১১ জানুৱাৰীত ৰাজ্যসভাত এক বিধেয়ক উত্থাপন কৰা হৈছিল। সংৰক্ষণৰ অনুপাত নিৰ্ধাৰণ সম্বলিত মন্ত্ৰীগোটৰ এই প্ৰতিবেদন প্ৰেৰণ কৰা হ'লেই ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্ভৱ হৈ উঠিলহেঁতেন। কিন্তু হিমন্ত বিশ্ব শৰ্মাই সেই কাম নকৰিলে। হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত গঠিত মন্ত্ৰীগোটে অংশীদাৰী সংশ্লিষ্ট সকলো পক্ষৰে মতামত গ্ৰহণ কৰি প্ৰতিবেদন প্ৰস্তুত কৰাৰ পিছতো প্ৰতিবেদন কেন্দ্ৰলৈ প্ৰেৰণ নকৰিলে। ইয়াৰ আঁৰত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰদানত বিজেপি দল আৰু চৰকাৰৰ সদিচ্ছা নাই। ৰাজ্যসভাত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিধেয়ক উত্থাপন 'কা' বিৰোধী আন্দোলন প্ৰশমিত কৰাৰ এক কৌশলহে আছিল সেয়া আজি প্ৰতীয়মান হৈছে। লগতে আহোম সংগঠনটোৱে কয় যে আহোম যুগৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ বেদখলমুক্ত, উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্য্যবৰ্ধনৰ সন্দৰ্ভত চৰকাৰে ব্যৱস্থা লোৱা নাই। স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ মৈদাম, মহীয়সী জয়মতী কুঁৱৰীৰ মৈদাম, তলাতল ঘৰ, কাৰেং ঘৰস গড়-খাৰৈ, দৌল-দেৱালয়সমূহ বেদখলমুক্ত হৈছে। কীৰ্তিচিহ্নসমূহ সংৰক্ষণ আৰু সৌন্দৰ্য্যবৰ্ধনৰ ব্যৱস্থা কৰা হোৱা নাই। আহোম স্বৰ্গদেউৱে প্ৰথমে ভৰি থৈ যিখন পাহাৰৰ মাজেৰে এই ভূমিত প্ৰৱেশ কৰিছিল সেই পাহাৰখন ধ্বংস কৰা হৈছে বুলি সংগঠনটোৱে আক্ষেপ প্ৰকাশ কৰিছে। ঐতিহাসিক পাটকাই আৰু টিপাম পাহাৰত অবৈধ কয়লাখনন চলোৱাৰ অভিযোগ আনি সোনকালে খনন বন্ধ কৰি পাহাৰ খন সংৰক্ষণ কৰাৰ দাবী জনায়। প্ৰয়োজনত অবৈধ কয়লাখননৰ বিৰুদ্ধে টাইপাই নিজাকৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি হুংকাৰ দিয়ে। উল্লেখ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম আগমন ঘটিব ২৪ ফেব্ৰুৱাৰীত। দুটা বিশেষ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ কৰিব। বিশ্ব ৰেকৰ্ডৰ বাবে আয়োজন কৰা ঝুমুৰ নৃত্য প্ৰদৰ্শন আৰু এডভাণ্টেছ আসাম সন্মিলনত অংশ ল'ব। ২৪ ফেব্ৰুৱাৰীত সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ঝুমুৰ নৃত্য প্ৰদৰ্শন। ৭৫০০ শিল্পীয়ে একে সময়তে পৰিৱেশন কৰিব চাহ জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য ঝুমুৰ। ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব এডভাণ্টেজ আসাম সন্মিলন। প্ৰধানমন্ত্ৰীয়ে ২৪ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৫ বজাত গুৱাহাটীত উপস্থিত হ'ব। সিদিনা সৰুসজাইৰ ঝুমুৰ নৃত্য উপভোগ কৰিব। নিশা গুৱাহাটীত কটায় পাছদিনা ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আসাম সন্মিলনত অংশ ল'ব।

# ডুমডুমাত চীনা নহৰুৰ বিৰুদ্ধে প্ৰশাসনৰ ব্যাপক অভিযান

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১১ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল আৰু ডুমডুমা সমজিলা আয়ুক্ত নুজহাৎ নাচৰিনৰ নিৰ্দেশমৰ্মে আজি ডুমডুমা অঞ্চলত চীনা নহৰুৰ বিৰুদ্ধে ব্যাপক অভিযান চলোৱা পৰিলক্ষিত হয়। উক্ত অভিযানকালত ডুমডুমা চহৰৰ উপৰি ফিল'বাৰী, ৰূপাই চাইডিং বজাৰতো চলা অভিযানত ভালেসংখ্যক সন্দেহজনক নহৰুৰ নমুনা পৰীক্ষাৰ বাবে সংগ্ৰহ কৰা হয়। সহকাৰী আয়ুক্ত সুদীপ গগৈৰ নেতৃত্বত অহা অভিযানকাৰী দলটোত আছিল খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শক প্ৰণৱজ্যোতি ভূঞা আৰু খাদ্য সুৰক্ষা বিষয়া ঋষি চিকাৰ। দলটিয়ে বজাৰ সমূহত চীনা নহৰুৰ সন্ধান চলোৱাৰ লগতে ব্যৱসায়ীসকলক এনে নহৰু বিক্ৰী নকৰিবলৈ সকীয়াই দিয়ে। অন্যথা, আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও অৱগত কৰে। স্বাস্থ্য আৰু পৰিৱেশৰ বাবে অপকাৰী এই চীনা নহৰুৰ প্ৰচলন ৰোধৰ বাবে সমজিলা প্ৰশাসনে এনে অভিযান সময়ে-সময়ে চলাই যাব বুলিও দণ্ডাধীশ গগৈয়ে জানিবলৈ দিয়ে। আয়ুক্তগৰাকীয়ে লগতে কয় যে, কৰ ফাঁকিৰে অসমৰ বজাৰত অবৈধভাৱে প্ৰৱেশ কৰা এনে সামগ্ৰীৰ ওপৰত প্ৰশাসনে চোকা দৃষ্টি ৰাখিছে। অভিযানকালত অভিযানকাৰী দলটোৱে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰো প্ৰয়াস চলোৱা পৰিলক্ষিত হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ওদালগুৰিত মাডাৰ্ছ এছ'চিয়েচন, এবছুৰ উদ্যোগত বিশাল সজাগতা সমদল




**ই-সংবাদ, ওদালগুৰি, ১১ ফেব্ৰুৱাৰীঃ** ওদালগুৰি জিলা বড়ো মাডাৰ্ছ এছ'চিয়েচনৰ উদ্যোগত আৰু ওদালগুৰি জিলা এবছুৰ সহযোগত আজি ওদালগুৰি চহৰত বেআইনী কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদী সজাগতা সমদল বাহিৰ কৰা হয়। কাৰ্যসূচীত অংশগ্ৰহণকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ বেআইনী কাৰ্যসূচী বন্ধ কৰক, নিচাযুক্ত সামগ্ৰী বন্ধ কৰক, গুণগত শিক্ষা প্ৰদান কৰক ইত্যাদি শ্লোগান প্ৰদান কৰে। নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৱে কাৰ্যসূচীটোত উপস্থিত থাকি সংবাদ মাধ্যমৰ সন্মুখত প্ৰকাশ কৰি কয় যে, "আজি নিচাযুক্ত সামগ্ৰী, মহিলা সৰৱৰাহকাৰী, বেআইনী সামাজিক কাৰ্যকলাপ, বাল্যবিৱাহ ইত্যাদিৰ বিৰুদ্ধে এই সজাগতা সমদল বাহিৰ কৰা হয়। ইয়াৰ জৰিয়তে আমি চৰকাৰক দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে এনে ঘটনা বন্ধ কৰিব লাগে। লগতে এনে ঘটনাৰ সৈতে জৰিত লোকক কঠোৰ শাস্তি প্ৰদান কৰিব লাগে। এনে দবীৰে সমগ্ৰ অসমতে আজি এই কাৰ্যসূচী ৰূপায়ন কৰিছো। সমাজ শক্তিশালী হবলৈ হ'লে সমাজৰ পৰা এনে অসৎ কাৰ্যসমূহ বন্ধ হবই লাগিব। এনে ধৰণৰ নিচাযুক্ত সামগ্ৰীৰ ব্যৱহাৰৰ দ্বাৰা হত্যা-ধৰ্ষণকে ধৰি সমাজত ভয়ংকৰভাৱে অসামাজিক কাৰ্য বৃদ্ধি কৰিছে। আজি বড়ো মাডাৰছ্ এছ'চিয়েচনৰ এই সজাগতাৰ জৰিয়তে সমগ্ৰ অসমতে যাতে এনে অসামাজিক কাৰ্য প্ৰতিৰোধ হৈ সকলো শান্তিৰে বসৱাস কৰিবলৈ সক্ষম হব বুলি আমি দৃঢ় বিশ্বাসী। আজি বিটিআৰ, অসম তথা কেন্দ্ৰীয় চৰকাৰক দাবী জনাই আহিছো যে বৰ্তমানেও চলি থকা এনে অসামাজিক কাৰ্যৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।" আজিৰ এই প্ৰতিবাদী সমদলত জিলা এবছু নেতা কৰনেলিয়াছ দৈমাৰী, ওদালগুৰি জিলা বড়ো মাডাৰ্ছ এছ'চিয়েচনৰ বিষয়ববীয়াৰ লগতে বিভিন্ন আঞ্চলিক সমিতিৰ পৰা অহা কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

# তিনিচুকীয়াত সুৰক্ষিত ইন্টাৰনেট দিৱস উদযাপন

**ই-সংবাদ, তিনিচুকীয়া, ১১ ফেব্ৰুৱাৰীঃ** সাম্প্ৰতিক কালত ইন্টাৰনেটৰ জৰিয়তে সংঘটিত হোৱা অপৰাধৰ বৰ্দ্ধিত ঘটনাৰ প্ৰতি সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত অনুষ্ঠিত হয় বিশ্ব সুৰক্ষিত ইন্টাৰনেট দিৱস। এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উন্নতৰ ইন্টাৰনেটৰ বাবে সংঘবদ্ধতা বিষয়ক এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। নিৰ্বাচন বিষয়া ময়ুৰাক্ষী দত্তই পৰিচালনা কৰা সভাখনত মূল বক্তৃতা প্ৰদান কৰে জিলা তথ্য-বিজ্ঞান বিষয়া গৌৰীশংকৰ দাসে। তেওঁ ইন্টাৰনেট ব্যৱহাৰৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে অৱগত কৰাৰ লগতে চাইবাৰ অপৰাধৰ পৰা নিজকে সুৰক্ষিত কৰাৰ সম্পৰ্কত পাৱাৰ পইণ্টৰ সহায়ত উপস্থাপন দাঙি ধৰে। আলোচনা চক্ৰত জিলা প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীৰ উপৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে।

# কলগাছিয়াৰ বৃহত্তৰ দাবনদিয়াত বাঁহৰ সাঁকোৱে জ্বলা-কলা খুৱাইছে ৰাইজক




**ই-সংবাদ, কলগাছিয়া, ১১ ফেব্ৰুৱাৰীঃ** ২ নং ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত তথা বৰপেটা আৰু বঙাইগাঁও জিলাৰ সীমামূৰীয়া অঞ্চল দাবনদিয়া আৰু জপিয়া সংযোগী পথৰ মৰা মানাহ নদীৰ ওপৰত থকা জৰাজীৰ্ণ বাঁহৰ সাঁকোৱে উদঙাই দিছে চৰকাৰ তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ উন্নয়নৰ নমুনা। স্থানীয় একাংশ যুৱকে গাঁঠিৰ ধন ভাঙি বাঁহৰ সাঁকো নিৰ্মাণ কৰি ৰাইজক যাতায়াতৰ সুবিধা কৰি দিছে। সেয়ে দলংখনৰ খৰচৰ বাবদ ৰাইজৰ পৰা ১০ ৰ পৰা ২০ টকাকৈ সংগ্ৰহ কৰি আহিছে যুৱক কেইজনে। অতি ব্যস্ততাপূৰ্ণ এই ৰাস্তাৰে দৈনিক হাজাৰ হাজাৰ মানুহৰ লগতে শ শ গাড়ী মটৰ যাতায়াত কৰে। কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়, নৱজ্যোতি মহাবিদ্যালয় আদিলৈ যাতায়াত কৰে অসংখ্য ছাত্ৰ-ছাত্ৰী আৰু ৰোগী। তাৰ পিছতো জনীয়াৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলাম আৰু উত্তৰ অভয়াপুৰীৰ বিধায়ক আব্দুল বাতেন খন্দকাৰৰ কোনো এজনেও বিষয়টোত গুৰুত্ব দিয়া নাই। ইপিনে, বহু আশা লৈ ৰেকৰ্ড সংখ্যক ভোটেৰে জয়ী কৰোৱাইছিল ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনক। ইয়াৰ বিপৰীতে ৰকিবুল হুছেইনে নিজৰ সমষ্টি এৰি সুদূৰ লখিমপুৰত উন্নয়নমূলক কাম কৰিছে বুলি সামাজিক মাধ্যমত চৰ্চা লাভ কৰিছে। সেয়ে ক্ষোভিত হৈ পৰিছে কলগাছিয়া, দাবনদিয়া, নদিয়াপাৰা, জপিয়া আদি গাঁৱৰ ৰাইজ। পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে মৰা মানাহৰ ওপৰত এখন পকী দলং নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ ৰাইজে দাবী জনাইছে। অন্যথা ৰাইজে সাংসদ ৰকিবুল হুছেইনৰ বিৰুদ্ধে আন্দোলনত নমাৰ হুংকাৰ দিছে।

# নগাঁৱৰ নৰ্নে তুলসীমুখত নৱ বিবাহিতাৰ ৰহস্যজনক মৃত্যু, স্বামীৰ পৰিয়ালৰ বিৰুদ্ধে এজাহাৰ

## অসম আৰক্ষীত কৰ্মৰত স্বামীৰ পৰিয়ালে নিৰ্যাতন চলোৱাৰ অভিযোগ

**ই-সংবাদ, কামপুৰ, ১১ ফেব্ৰুৱাৰীঃ** নগাঁৱৰ নৰ্নে তুলসীমুখত এগৰাকী নৱ বিবাহিত বোৱাৰীৰ ৰহস্যজনক মৃত্যুৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্বামী গৃহত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয় বোৱাৰীগৰাকীৰ মৃতদেহ। মৃত বোৱাৰীগৰাকী কামপুৰ দক্ষিণপাট ভকত গাঁৱৰ অংকিত বৰা। এবছৰ পূৰ্বে তুলসীমুখ কুৰোৱাবাহীৰ বিশ্বজিত দাস নামৰ এজন যুৱকৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল অংকিতা। স্বামী বিশ্বজিত দাস অসম আৰক্ষী কামাণ্ড বাহিনীত কৰ্মৰত। প্ৰায়ে পতি-পত্নীৰ মাজত সৃষ্টি হয় বাক-বিতণ্ডা। স্বামীয়ে মাৰপিট কৰাৰো অভিযোগ উত্থাপিত হৈছে। মৃত অংকিতাক প্ৰতিদিনে মানসিক অত্যাচাৰ চলাই আহিছিল স্বামীৰ পৰিয়ালে। ৬ মাহ পূৰ্বে অংকিতাক পিতৃ-



মাতৃয়ে লৈ আহিছিল নিজ গৃহলৈ। পাছত স্বামী বিশ্বজিতে পুনৰ অংকিতাক লৈ যায় স্বামীৰ গৃহলৈ। কালি নিশাও অংকিতাৰ ওপৰত স্বামীয়ে চলাইছিল শাৰিৰিক আৰু মানসিক অত্যাচাৰ। অংকিতাই নিশাই সকলো কথা খুলি কৈছিল মাতৃক। মাতৃয়ে বুজনি দি পুৱালৈ অপেক্ষা কৰিব দিছিল অংকিতাক। কিন্তু পুৱা ৰহস্যজনকভাৱে চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয় অংকিতাৰ মৃতদেহ। অংকিতাৰ পৰিয়ালৰ অভিযোগ এয়া আত্মহত্যা নহয় হত্যা কৰি ওলমাই থোৱা হৈছে অংকিতাক। ঘটনা সন্দৰ্ভত অংকিতাৰ পিতৃ-মাতৃয়ে এজাহাৰ দাখিল কৰিছে স্বামী বিশ্বজিত আৰু পৰিয়ালৰ বিৰুদ্ধে। ঘটনাস্থলীত নৰ্নে আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, ঘটনাৰ আঁৰৰ প্ৰকৃত ৰহস্য আৰক্ষীৰ তদন্তৰ পাছতহে পোহৰলৈ আহিব।

# হোজাই আৰক্ষীৰ জালত মণিপুৰৰ নিষিদ্ধ ঘোষিত সংগঠন পিপ'লছ লিবাৰেচন আৰ্মীৰ কেডাৰ

**ই-সংবাদ, মোৰাঝাৰ, ১১ ফেব্ৰুৱাৰীঃ** নিষিদ্ধ ঘোষিত মণিপুৰী সংগঠন পি এল এৰ এজন দুৰ্ধৰ্ষ কেডাৰক আজি হোজাই আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। হোজাই জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত লামডিং আৰু মোৰাঝাৰ আৰক্ষীয়ে নীলবাগানৰ এখন বাছৰ পৰা উগ্ৰপন্থী সদস্যজনক কৰায়ত্ত কৰে। এই সম্পৰ্কত হোজাই জিলাৰ আৰক্ষী অধীক্ষক সৌৰভ গুপ্তা আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম বৰদলৈয়ে এখন সংবাদমেলত সদৰী কৰা মতে, ধৃত উগ্ৰপন্থী সদস্যজনৰ নাম য়াইখম টণ্ডনবা সিং ওৰফে পিবাটং। হোজাই আৰক্ষীয়ে অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন (ইউএপিএ)ৰ ৩ নং ধাৰাত অবৈধ আৰু নিষিদ্ধ সংগঠন পিপলছ লিবাৰেচন আৰ্মী (পিএলএ) মণিপুৰী উগ্ৰপন্থী সংগঠনটোৰ কেডাৰজনক গ্ৰেপ্তাৰ কৰি মাৰাথন জেৰা অব্যাহত ৰাখিছে। ধৃত পিএলএৰ সদস্যজন বিভিন্ন অপৰাধমূলক কাৰ্যৰ লগত জড়িত থকাৰ লগতে তেওঁক মণিপুৰ আৰক্ষীয়ে বিচাৰি আছিল। মণিপুৰী উগ্ৰপন্থী কেডাৰজনক হোজাই আৰক্ষীৰ শীৰ্ষ বিষয়াৰ লগতে অন্য চৰকাৰী তদন্তকাৰী গোটে জেৰা চলাই আছে। জেৰাৰ সময়ত ধৃত মণিপুৰী উগ্ৰপন্থী কেডাৰজনে বিদ্ৰোহী কাৰ্যকলাপৰ লগতে পিএলএ সম্পৰ্কীয় বহু তথ্য আৰক্ষীৰ আগত প্ৰকাশ কৰিছে। ড্ৰাগছ, অস্ত্ৰ সৰবৰাহত জড়িত উগ্ৰপন্থী সদস্যজন মণিপুৰৰ পৰা মিজোৰাম হৈ অসমৰ মাজেৰে বিভিন্ন নিচাজাতীয় সামগ্ৰী, অস্ত্ৰ সৰবৰাহৰো মাষ্টাৰমাইণ্ড। ইপিনে, লামডিং আৰক্ষী থানাত ড্ৰাগছ সৰবৰাহৰ সন্দৰ্ভত ৰুজু থকা এটা গোচৰ এন ডি পি এছ ১১/২৫ নম্বৰতো অভিযুক্ত এই উগ্ৰপন্থী সদস্যজন। আৰক্ষী অধীক্ষকজনে সংবাদমেলত সদৰী কৰা মতে, ধৃত উগ্ৰপন্থী সদস্যজনে হোজাই চহৰৰ মণিপুৰ বস্তিত ভাড়াঘৰত থাকি হোজাইত অস্ত্ৰ সৰবৰাহৰ পৰিকল্পনা কৰিছিল। মণিপুৰৰ ইষ্ট ইম্ফলৰ কুৰাই টাউডাম লাইকেইৰ বাসিন্দা উগ্ৰপন্থী সদস্যজনৰ আৰু ব্যক্তি জড়িত থকাৰ সন্দেহ কৰিছে আৰক্ষীয়ে। এইক্ষেত্ৰতো আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। ধৃত উগ্ৰপন্থী সদস্যজনক কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই জেৰা চলোৱাৰ সম্ভাৱনা আছে।শেহতীয়াকৈ মণিপুৰৰত সংগঠিত কুটাঘাটমূলক কাৰ্যকলাপত উগ্ৰপন্থী সদস্যজন জড়িত আছে নে নাই এই সম্পৰ্কেও তদন্ত কৰিব। উগ্ৰপন্থী সদস্যজনে মণিপুৰৰ পৰা অসমলৈ ড্ৰাগছ আৰু অস্ত্ৰ সৰবৰাহ কৰি থকা বুলিও আৰক্ষীয়ে সন্দেহ কৰিছে।

# দুষ্ট চক্ৰই পথাৰত দিলে বিহ, বজালীত পশুধনৰ মৃত্যু

**ই-সংবাদ, ভৱানীপুৰ, ১১ ফেব্ৰুৱাৰীঃ** বজালী জিলাৰ পশ্চিম শিমলাতলত কোনো লোকে পথাৰত বিষ দিয়াৰ ফলত চাৰিটাকৈ পশুধনৰ কৰুণ মৃত্যু হয়। অভিযোগ অনুসৰি উজান বৰবড়ী গাঁৱৰ প্ৰতাপ কলিতা আৰু নয়ন কলিতাই গৰুৰ খাদ্যৰ লগত বিষ মিহলি কৰি থৈ দিছিল ধনীয়াতলীত। এই ঘটনাত অঞ্চলটোৰ নিবাসী বিশ্বজিত ডেকা নামৰ লোকজনৰ দুটা গাই গৰু, ৰমণী দাসৰ এটা আৰু ৰজনী কাকতিৰ এটা পশুধনৰ মৃত্যু হয়। আনহাতে এটা গৰু স্থানীয় ৰাইজৰ দ্বাৰা পথাৰতে চিকিৎসাধীন হৈ আছে। গৰুক গো-মাতাৰ ৰূপত যিসময়ত সৰ্বত্ৰে পূজা কৰা হয়, তেনে সময়তে এনেদৰে গো নিধন কৰা কাৰ্যক গৰিহণা দিছে স্থানীয় ৰাইজে। স্থানীয় ৰাইজৰ দ্বাৰা বিষয়টো বজালী আৰক্ষীক অৱগত কৰাৰ পাছত সৰুপেটা চকীৰ এটি আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। জীৱশ্ৰেষ্ঠ মানুহে এনেদৰে নৃশংসভাৱে পশুধনক মৃত্যুৰ মুখলৈ ঠেলি দিয়া ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বাঘমাৰা চৰ আঞ্চলিক আমছুৰ নতুন সমিতি গঠন

**ই-সংবাদ, শিমলীতোলা, ১১ ফেব্ৰুৱাৰীঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ দিক্ষণ বৰপেটা জিলাৰ অন্তৰ্গত বাঘমাৰা চৰ আঞ্চলিক আমছুৰ পুৰণা কমিটীৰ কাৰ্যকাল উকলি যোৱাত সোমবাৰে আমছুৰ বাঘমাৰা চৰ আঞ্চলিক সমিতিৰ নতুন কমিটী গঠন কৰা হয়। পূৰণা কমিটীৰ সভাপতি ৰফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত আবুল কালাম আজাদক সভাপতি, জমিৰ উদ্দিন, সাহেবুল ইছলাম আৰু ছায়েদ আলীক উপ-সভাপতি, আবু কায়েসক সাধাৰণ সম্পাদক, সাবান আলীক সাংগঠনিক সম্পাদক, শ্বাহ আলম আহমেদ, আব্দুল কুদ্দুছ, ইনামূল হকক সহঃ সাধাৰণ সম্পাদক হিচাপে লৈ জুৰি কমিটীয়ে এখন শক্তিশালী কমিটী গঠন কৰি দিয়ে। উল্লেখ্য যে বিগত কমিটীৰ বছৰীয়া হিচাপ-নিকাচ হৈ যোৱাৰ পিছত জুৰি কমিটীৰ দ্বাৰা নতুন কমিটী গঠন কৰা হয়। সভাত বিভিন্ন সমাজ উন্নয়নমূলক কাম-কাজৰ বিষয়ে আলোচনা কৰা হয় আৰু আগন্তুক দিনত কেনেদৰে সমাজৰ হকে নতুন কমিটীয়ে কাৰ্যপন্থা হাতত লৈ কাম কৰিব সেই বিষয়েও বিতংকৈ আলোচনা কৰা হয়। উক্ত সভাত উপস্থিত থাকে কেন্দ্ৰীয় আমছুৰ সহঃ সাধাৰণ সম্পাদক কাবেল উদ্দিন শ্বেখ, আমছুৰ প্ৰাক্তন উপ-সভাপতি জাফৰ আলী আহমেদ, দক্ষিণ বৰপেটা জিলা আমছুৰ সাঃ সম্পাদক ৰফিকুল ইছলাম, বাঘমাৰা চৰৰ যুৱ ব্যৱসায়ী ছাকলিন মুস্তাককে আদি কৰি ভালে সংখ্যক গণ্য মান্য ব্যক্তি।

## দঃঞিঃ গ্ৰীন ফাউণ্ডেচনৰ উদ্যোগত মাজুলীত পুনঃবনানীকৰণ সন্দৰ্ভত জনসভা

**ই-সংবাদ বিশেষ, মাজুলী, ১১ ফেব্ৰুৱাৰীঃ** আজি মাজুলীৰ কমলাবাৰী ঘাটৰ সমীপত মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক তথা বিশিষ্ট সমাজকৰ্মী ড০ আনন্দ হাজৰিকাৰ সভাপতিত্বত দঃঞিঃ গ্ৰীন ফাউণ্ডেচনৰ উদ্যোগত মাজুলীত পুনঃবনানীকৰণ এক সভা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানটিৰ আঁত ধৰে দঃঞিঃ গ্ৰীন ফাউণ্ডেচনৰ সভাপতি নীলোৎপল গামে। সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তি তথা স্থানীয় নিষ্ঠাৱান সমাজকৰ্মীসকলে মাজুলীত গৰাখনীয়াত ধ্বংস হৈ যোৱা অৰণ্যসমূহ পুনৰ উদ্ধাৰৰ বাবে গ্ৰীন ফাউণ্ডেচনে হাতত লোৱা এই মহান কামৰ সকলোৱে শলাগ লয়। উক্ত সভাত ধাপাক গাঁও, উপৰ বতিয়ামাৰী, নাম বতিয়ামাৰী, খোৰাহোলা গাঁও আৰু বামুণ গাঁৱৰ পৰা অহা উৎসাহী অংশগ্ৰহণকাৰীসকলৰ অভূতপূৰ্ব সঁহাৰিয়ে দঃঞিঃ গ্ৰীন ফাউণ্ডেচনৰ সংকল্পক শক্তিশালী কৰি তোলে।

## চিকিৎসাৰ নামত চূড়ান্ত ভেকোঁভাওনা, ৰোগীৰ হাহাকাৰ

# চেঙাৰ চিকিৎসালয়ত চিকিৎসকৰ অনিয়মীয়া উপস্থিতিৰ অভিযোগ ৰাইজৰ

**ই-সংবাদ, নগৰবেৰা, ১১ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ প্ৰতিজন ব্যক্তিক চৰকাৰী চিকিৎসা সেৱা প্ৰদান কৰাৰ উপৰি গৰ্ভৱতী মহিলাৰ প্ৰসৱৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে নিত্য নতুন বহু ব্যয় বহুল আঁচনি গ্ৰহণ কৰাৰ পাছতো বহু গ্ৰামাঞ্চলত চৰকাৰী স্বাস্থ্য কেন্দ্ৰৰ পুতৌলগা অৱস্থাই স্বাস্থ্য বিভাগৰ প্ৰকৃত স্বৰূপ উদঙাই দিছে। চৰকাৰী চিকিৎসালয়সমূহত নিযুক্ত চিকিৎসকসকলক নিয়ন্ত্ৰণ কৰিবলৈ স্বাস্থ্য বিভাগৰ লগতে স্বয়ং মুখ্যমন্ত্ৰীয়েও কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ পাছতো একাংশ চিকিৎসকে চৰকাৰৰ কঠোৰ সিদ্ধান্তক ভ্ৰূক্ষেপ নকৰাৰ অভিযোগ উঠিছে। সম্প্ৰতি বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত কাছুমাৰা ৰাজ্যিক চিকিৎসালয়ৰ দুৰৱস্থাৰ লগতে চিকিৎসালয়খনত নিযুক্ত একমাত্ৰ চিকিৎসকজনৰ অনিয়মীয়া উপস্থিতিয়ে চিকিৎসা সেৱাৰ পৰা বঞ্চিত কৰিছে অঞ্চলবাসীক। একাংশ লোকে অভিযোগ কৰা মতে, চিকিৎসালয়খনৰ একমাত্ৰ চিকিৎসক অমূল্য বৈশ্যই সপ্তাহত এদিন বা দুদিনহে আহে চিকিৎসালয়ত। সপ্তাহৰ বাকী দিন কেইটা চিকিৎসালয়খনৰ ফাৰ্মাচিষ্টজনেই ৰোগী চোৱা-চিতা কৰে। যাৰ ফলত চিকিৎসাৰ বাবে অহা ৰোগীসকলে জ্বৰৰ টেবলেটৰ বাহিৰে একোৱেই নোপোৱাৰ অভিযোগ উত্থাপিত হৈছে। চৰকাৰী চিকিৎসালয়ৰ চিকিৎসকৰ এনে মনমৰ্জিৰ বাবেই অঞ্চলবাসীয়ে চিকিৎসাৰ পৰা বঞ্চিত হব লগীয়া হৈছে। ইপিনে, চেঙা সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ বৃহৎ অঞ্চলৰ অৰ্ধ লক্ষাধিক লোকৰ চিকিৎসাৰ একমাত্ৰ চৰকাৰী চিকিৎসালয়খনত প্ৰসৱকক্ষ আছে যদিও সেই কক্ষত নাই পৰ্যাপ্ত সা-সুবিধা। তদুপৰি চিকিৎসালয়খনত চিকিৎসকৰ উপস্থিতি যথেষ্ট অনিয়মীয়া হোৱা বাবেই বৃহত্তৰ অঞ্চলটোৰ গৰ্ভৱতী মহিলাসকলক সন্তান প্ৰসৱৰ বাবে সোণতলী, বকো, নগৰবেৰা আৰু গুৱাহাটীলৈ লৈ যাবলগীয়া হয়। স্থানীয় লোকে জনোৱা মতে, চিকিৎসালয়খনত দীৰ্ঘদিন ধৰি নাই এম্বুলেঞ্চ সেৱাৰ গাড়ী। প্ৰায় ডেৰ-দুবছৰ পূৰ্বে স্থানীয় বিধায়ক আশ্ৰাফুল হুছেইনে চিকিৎসালয়খনত এম্বুলেঞ্চ প্ৰদান কৰিছিল যদিও কিছুদিন পাছতে এম্বুলেঞ্চখন চিকিৎসালয়ৰ পৰা নোহোৱা হৈ পৰে। চিকিৎসালয়খনত এম্বুলেঞ্চ সেৱাৰ সুবিধা নথকাৰ বাবেই বৃহত্তৰ অঞ্চলটোৰ লোক সকলে প্ৰায় দৈনিক গৰ্ভৱতী আৰু প্ৰসূতি মহিলাৰ উপৰি মুমূৰ্ষু ৰোগীসকলক ই-ৰিক্সা, ঠেলা, ঘোঁৰা গাড়ী, সাঙি আদিৰে কঢ়িয়াই নিবলগীয়া হয়। চৰকাৰী চিকিৎসাৰ নামত বৃহত্তৰ অঞ্চলবাসীয়ে কাছুমাৰা ৰাজ্যিক চিকিৎসালয়ৰ পৰা ন্যূনতম চিকিৎসা সেৱাখিনিও নোপাৱাৰ অভিযোগ উত্থাপন কৰি ক্ষোভ ব্যক্ত কৰিছে। সভা-সমিতিত বৰ বৰ কথা কোৱা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইনেও অঞ্চলবাসীৰ প্ৰাথমিক চিকিৎসা সেৱাৰ বাবে ন্যূনতম গুৰুত্বাৰোপ নকৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে। শীঘ্ৰে চেঙাৰ কাছুমাৰা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসকৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰাৰ লগতে এম্বুলেঞ্চ সেৱাকে ধৰি অন্যান্য সা-সুবিধা প্ৰদান কৰিবলৈ ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰীক দাবী জনাইছে ৰাইজে।



পেৰিছত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰণি প্ৰবাসী ভাৰতীয়ৰ

# উচুপি উঠিল ৰাষ্ট্ৰীয় শ্বহীদ দিলীপ দাসৰ পত্নী প্ৰাঞ্জলী দাস

**ই-সংবাদ, ভৱানীপুৰ, ১১ ফেব্ৰুৱাৰীঃ** 'দেশৰ স্বাৰ্থ বিঘ্নিতকাৰী, স্বামীহন্তা মাওবাদীয়ে পৰিণতিৰ সন্মুখীন হ'ব লাগিব। অকল আমাৰেই নহয়, বহু তিৰোতাৰ কপাল উকা কৰি পৰিয়ালসমূহলৈ অমানিশা নমাই অনা মাওবাদীয়ে সিহঁতৰ সমুচিত কৰ্মফল ভুগিবই লাগিব।'- এইদৰে কয় ৰাষ্ট্ৰীয় শ্বহীদ দিলীপ কুমাৰ দাসৰ পত্নী প্ৰাঞ্জলী দাসে। উল্লেখ্য যে, চত্তিশগড়ৰ বীজাপুৰ জিলাৰ ইন্দ্ৰৱতী ৰাষ্ট্ৰীয় উদ্যান বনাঞ্চলত নিৰাপত্তা বাহিনীৰে সংঘৰ্ষত অলপতে ৩১ জনকৈ মাওবাদী নিহত হোৱাৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ এই সফলতালৈ উষ্ম অভিনন্দন জনাই উচুপি উঠিল গাভৰু কালতে বৈধব্যৰ সাজ পিন্ধিবলগীয়া হোৱা সৰুপেটাৰ সমীপৰ ভাৰেগাঁৱৰ বাসিন্দা ৰাষ্ট্ৰীয় শ্বহীদ দিলীপ কুমাৰ দাসৰ পত্নী প্ৰাঞ্জলী দাসে। কেন্দ্ৰীয় চৰকাৰৰ মাওবাদী নিৰ্মূল সংকল্পলৈ দৃঢ় সমৰ্থন ব্যক্ত কৰি ৰাষ্ট্ৰীয় শ্বহীদগৰাকীৰ পত্নী প্ৰাঞ্জলী দাসে মাওবাদী নিৰ্মূলৰ এই অভিযানত কেন্দ্ৰীয় চৰকাৰক দল-মত নিৰ্বিশেষে আটাইকে সমৰ্থন দিবলৈও আহ্বান জনায়। শ্বহীদ পত্নী প্ৰাঞ্জলী দাসে তেওঁৰ স্বামীয়ে 'দেশৰ নিৰাপত্তা, অখণ্ডতাৰ হকে মাওবাদী নিৰ্মূল অভিযানত অংশগ্ৰহণ কৰিছিল আৰু কেন্দ্ৰীয় চৰকাৰে লোৱা লক্ষ্য সাধন অভিযানৰ সফল সমাপ্তিয়ে শ্বহীদসকলৰ ত্যাগক অধিক মৰ্যাদা প্ৰদান কৰিব' বুলিও মন্তব্য কৰে।

# সদৌ অসম চাহ মজদুৰ কল্যাণ কমিটীৰ উদ্যোগত প্ৰস্তুতি প্ৰেৰণামূলক অনুষ্ঠান

**ই-সংবাদ, গেলেকী, ১১ ফেব্ৰুৱাৰীঃ** সদৌ অসম চাহ মজদুৰ কল্যাণ কমিটীৰ উদ্যোগত আৰু জ্যোতি সঞ্চায়ন পুথি ভঁৰাল আৰু সদৌ অসম চাহ জনজাতি যুৱ ছাত্ৰ পৰিষদৰ সহযোগত বৰছিলা চাহ বাগিচা শ্ৰমিক বিনোদন কেন্দ্ৰত আগন্তুক হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক লৈ এখনি প্ৰস্তুতি আৰু প্ৰেৰণামূলক সভা অনুষ্ঠিত কৰা হয়। সভাত এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ বহু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক শুভ কামনা জ্ঞাপন কৰাৰ লগতে সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নৰ্থ ইষ্ট চেণ্ট্ৰেল ইংলিছ স্কুলৰ সঞ্চালক সুৰেশ বড়া, বৰছিলা হাইস্কুলৰ প্ৰতিষ্ঠাপক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নলিনীদেৱী দুৱৰা, নামতি বঙালী মজদুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক সুৰেণ শইকীয়া, বৰুৱা আলি মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক জয়ন্ত তাঁতী, ২৮১ নং লাদৈগড় বালক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শিৱপ্ৰসাদ গোৱালা, গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলী, অসম চাহ মজদুৰ সংঘ নাজিৰা শাখা ব্যৱস্থাপক বিনোদ মাল, আমগুৰি মহাবিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰাহোল মাদগী, নামতি বঙালী গাঁৱৰ গাঁও বুঢ়া গোলেশৰ গগৈ প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তি। ছাত্ৰ-ছাত্ৰীসকলক মানসিকভাৱে শক্তিশালী কৰাৰ লগতে পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰয়োজনীয় নীতি-নিয়মৰ ওপৰত জ্ঞান প্ৰদান কৰে সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে। এই অনুষ্ঠানৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট লাভান্বিত হব বুলি আশা কৰিছে উদ্যোক্তাসকলে।

# দক্ষিণ কামৰূপৰ সত্ৰাপাৰাত মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, মিৰ্জা, ১১ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ সত্ৰাপাৰা ব্ৰহ্মপুত্ৰ পাৰঘাটত আজি পুৱা পানীত ওপঙি থকা অৱস্থাত এটি মৃতদেহ উদ্ধাৰ হয়। স্থানীয় প্ৰত্যক্ষদৰ্শীয়ে বিজয়নগৰ আৰক্ষীক অৱগত কৰাত ঘটনাস্থলীত আৰক্ষী উপস্থিত হয়। পাছত আৰক্ষীৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰা হয়। যোৱা ৬ ফেব্ৰুৱাৰীৰ বৃহস্পতিবাৰৰ পৰা পলাশবাৰী বাটৰহাটৰ পৰা ৩৫ বছৰীয়া নজৰুল ইছলাম নামৰ ব্যক্তি এজন নিৰুদ্দেশ হৈ আছিল। একে ঘাটতে আৰক্ষীৰ সহযোগত উদ্ধাৰ হৈছিল নিৰুদ্দেশ হোৱা ব্যক্তিৰ মটৰ চাইকেলখন। ইতিমধ্যে উদ্ধাৰ হোৱা মৃতদেহটো নজৰুল ইছলামৰ বুলি চিনাক্ত কৰা হৈছে। বৰ্তমান মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হৈছে। নজৰুল ইছলামৰ মৃত্যু হত্যা নে আত্মহত্যা ইয়াৰ কাৰণ বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। আৰক্ষীৰ তদন্ততহে পোহৰলৈ আহিব প্ৰকৃত তথ্য।

# পলাশগুৰীত ২৫ ঘণ্টীয়া অখণ্ড ভাগৱত পাঠ আৰু বিশ্লেষণৰ অনুষ্ঠান

**ই-সংবাদ, মুছলপুৰ, ১১ ফেব্ৰুৱাৰীঃ** মাঘী পূৰ্ণিমা উপলক্ষে বাক্সাৰ মুছলপুৰৰ সমীপৱৰ্তী পলাশগুৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১২ আৰু ১৩ ফেব্ৰুৱাৰীত পঞ্চম বাৰ্ষিক ২৫ ঘণ্টীয়া অখণ্ড ভাগৱত পাঠ আৰু বিশ্লেষণ অনুষ্ঠানৰ আয়োজন কৰিছে। এই উপলক্ষে বুধবাৰে পুৱা পাঁচ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা পতাকা উত্তোলনৰ পাছতে আৰম্ভ হ'ব মাঘী পূৰ্ণিমা উপলক্ষে ২৫ ঘণ্টীয়া অখণ্ড ভাগৱত পাঠ আৰু বিশ্লেষণ অনুষ্ঠান। ইয়াৰ পিছতে স্মৃতি তৰ্পণ, মন্দিৰৰ দ্বাৰ উদঘাটন, কাৰ্যালয় মুকলি, 'প্ৰয়াত পৰীক্ষিত নাথ আৰু সোণেশ্বৰী নাথ সোঁৱৰণী' ভোজনালয় মুকলি, 'প্ৰয়াত ৰমেশ নাথ আৰু কুঞ্জবালা নাথ সোঁৱৰণী' সভাগৃহ মুকলিৰ পাছতে 'প্ৰয়াত হৰেন্দ্ৰ নাথ আৰু তাৰাবালা নাথ সোঁৱৰণী মুখ্য দ্বাৰ' উদঘাটন কৰিব বিটিচিৰ পাৰিষদ ঘনশ্যাম দাসে। ইয়াৰ পাছত 'প্ৰয়াত গৌৰীকান্ত নাথ আৰু সুৱৰ্ণা নাথ সোঁৱৰণী স্থায়ী তোৰণ' উদঘাটন, অক্ষয় বন্তি প্ৰজ্বলন, ভাগৱত পাঠ শুভাৰম্ভ কৰাৰ পাছতে উলিওৱা হ'ব ভাগৱত শোভাযাত্ৰা। দুপৰীয়া আৰু নিশা সিদ্ধ প্ৰসাদ বিতৰণ কাৰ্যসূচী ৰূপায়িত হ'ব। একেদৰে বৃহস্পতিবাৰে পুৱাৰে পৰা বিভিন্ন কাৰ্যসূচীৰ অন্তত সন্ধিয়া সমাজকৰ্মী ৰমেন মদাহিয়ে উন্মোচন কৰা সাংস্কৃতিক মঞ্চত সাংস্কৃতিক অনুষ্ঠান চলাৰ লগতে সমাজকৰ্মী জোন দাসে উদ্বোধন কৰা সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশন কৰিব কণ্ঠশিল্পী ডলীপ্ৰিয়া বেজবৰুৱা, নিকুন দাস, দিয়াংশু কাশ্যপ আৰু জিন্টিমণি মেধিয়ে। দুয়োটা দিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে উদযাপন সমিতিৰ সম্পাদক হৰেশ্বৰ নাথে।

# লক্ষীমাৰীত ধুবুৰী বিজেপিৰ চিলাৰায় দিৱস

**ই-সংবাদ, গোলকগঞ্জ, ১১ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ ভাৰত-বাংলাদেশ সীমান্তৰ লক্ষীমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কাইলৈ ভাৰতীয় জনতা পাৰ্টীৰ ধুবুৰী জিলা সমিতিৰ উদ্যোগত ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন কৰা হ'ব। এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰিব বিজেপিৰ ধুবুৰী জিলা সভাপতি প্ৰসেনজিত দত্ত, বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব অসম প্ৰদেশ বিজেপিৰ অ'বিচি মৰ্চাৰ সভাপতি তথা প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰে। গছপুলি ৰোপণ কৰিব বিশিষ্ট সমাজকৰ্মী ক্ৰমে প্ৰমোদ ৰঞ্জন ৰায়, হৰেন্দ্ৰ নাথ সৰকাৰ, গৌৰাংগ চৌধুৰী, গণেশ চন্দ্ৰ বৰ্মন আৰু হেমন্তী পাঠক ৰায়ে। চিত্ৰাংকন আৰু বক্তৃতা প্ৰতিযোগিতাৰ পিছতে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনৰ এক বজাত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। সভাত আগমনি প্ৰগতি মহাবিদ্যালয়ৰ অধ্যাপক পৰমেশ ৰায় নিৰ্দিষ্ট বক্তা, ঢেপঢেপী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মনিন্দ্ৰ নাথ ৰায় মুখ্য বক্তা আৰু অসম প্ৰদেশ বিজেপিৰ অ'বিচি মৰ্চাৰ সভাপতি তথা প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

# মাজুলীৰ গড়মূৰ শংকৰদেৱ বিদ্যা নিকেতনৰ ৩০সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, মাজুলী, ১১ ফেব্ৰুৱাৰীঃ** মাজুলীৰ গড়মূৰ শংকৰদেৱ বিদ্যা নিকেতনৰ আজি ৩০সংখ্যক প্ৰতিষ্ঠা দিৱস নিকেতনখনত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি পুৱা ৯.৩০ বজাত নিকেতনখনৰ প্ৰাংগণৰ পৰা উলিওৱা বৰ্ণিল শোভাযাত্ৰাই গড়মূৰ অঞ্চল মুখৰিত কৰি তোলে। শোভাযাত্ৰা উদ্বোধন কৰি মাজুলী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বিপুল চেতিয়াই কয় যে নিকেতনে ৰাইজৰ বুকুত আস্থা বুটলিবলৈ সক্ষম হৈছে। মাজুলীৰ গড়মূৰ নিকেতনৰ কথা মাজুলীত চাকৰি যোগদান কৰিবলৈ অহাৰ পৰাই শুনি আহিছিলো।নিকেতনখনৰ পৰা যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে এই গৰিমা অটুট থাকক। এই বিদ্যালয়খনৰ পৰা ওলাই যোৱা মানৱ সম্পদৰ ওপৰতেই বিদ্যালয়খনৰ গৰিমা অটুট থাকে। বিদ্যালয়খনৰ গৰিমা ভৱিষ্যত দিনলৈ অটুট থাকক। আজি নিকেতনখনৰ প্ৰতিষ্ঠা দিনটোত সকলোলৈ শুভেচ্ছা জনাইছোঁ বুলি উল্লেখ কৰে। পৰাণজ্যোতি বৰাই আঁত ধৰা শোভাযাত্ৰাৰ উদ্বোধনী অনুষ্ঠানটিত নিকেতনখনৰ প্ৰধান আচাৰ্য বাবুল ভুঞা, পৰিচালনা সমিতিৰ সভাপতি মাণিক বৰুৱা, সম্পাদক গুণমণি শৰ্মা, মাতৃ ভাৰতীৰ সভানেত্ৰী জোস্না ভুঞা, অভিভাৱক-অভিভাৱিকা, আচাৰ্য-আচাৰ্যা, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শুভাকাংক্ষীসকল উপস্থিত থাকে। নিকেতনৰ পৰা বাহিৰ কৰা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই গড়মূৰ সত্ৰহৈ গড়মূৰ তিনিআলি সৰু সত্ৰয়েদি পুনৰ নিকেতনত প্ৰৱেশ কৰে। শিশু, ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা ৰাম-সীতা, কৃষ্ণ নৃত্য, মাছমৰীয়াৰ দল, কৃষি ভিত্তিক উৎসৱ আলি আই লিগাঙৰ দল, স্বাধীনতা সংগ্ৰামী দল, বন্দনাৰ দল, বালিকা শিক্ষা দল, বুঢ়ী আই সাধু, কাতি বিহু, স্বচ্ছতা, অভিভাৱিকাসকলৰ দ্বাৰা দিহানাম পৰিৱেশন আদি বিভিন্ন বিষয়েৰে প্ৰস্তুত কৰি উলিওৱা বৰ্ণাঢ্য শোভাযাত্ৰাই অঞ্চলটো মুখৰিত কৰি তোলে। ইয়াৰ পাছতেই নিকেতনখনৰ প্ৰাৰ্থনা গৃহত প্ৰতিষ্ঠা দিৱসৰ মূল সভা অনুষ্ঠিত হয়। প্ৰধান আচাৰ্য বাবুল ভুঞাই বন্দনা বেদিত বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা মূল কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে বন্দনা পৰিৱেশন কৰে। নিকেতনখনৰ পৰিচালনা সমিতিৰ সম্পাদক গুণমণি শৰ্মাই স্মৃতি তৰ্পণ কৰা সভাখনিৰ আঁত ধৰে পৰাণজ্যোতি বৰাই। পৰিচালনা সমিতিৰ সভাপতি মাণিক বৰুৱাই প্ৰতিষ্ঠা দিৱসৰ ভাষণ ৰাখি প্ৰতিষ্ঠা কালৰ সময় সোঁৱৰণ কৰাৰ লগতে নিকেতনখনৰ বিভিন্ন দিশ দাঙি ধৰে।

# সমাজ সেৱক দণ্ডধৰ নাথ স্মাৰক ন্যাসৰ পৰীক্ষাৰ্থীলৈ শুভেচ্ছা জ্ঞাপন অনুষ্ঠান

**ই-সংবাদ, দুমুনিচকী, ১১ ফেব্ৰুৱাৰীঃ** আগন্তুক উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষাৰ্থীসকলক শুভেচ্ছা জনাবলৈ আজি এখন বিশেষ শুভেচ্ছামূলক সভা ছিপাঝাৰৰ হালধাত সম্পন্ন হয়। পশ্চিম দৰঙৰ বৰনদী প্ৰগতি সংঘ আৰু স্বচ্ছ আৰু আদৰ্শ গাঁও নিৰ্মাণ সমিতিৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ৰাজ্যিক কৃতী বঁটাপ্ৰাপ্ত শিক্ষক হিৰণ্য কুমাৰ নাথে প্ৰয়াত পিতৃৰ স্মৃতিত গঠিত সমাজসেৱক দণ্ডধৰ নাথ স্মাৰক ন্যাসৰ তৰফৰ পৰা ওপজা গাঁও হালধাৰ লগতে নিকটৱৰ্তী মালিবাৰী গাঁৱৰ আগন্তুক উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একুৰিৰো অধিক পৰীক্ষাৰ্থীক শৈক্ষিক সামগ্ৰীৰে শুভেচ্ছা জ্ঞাপন কৰে। দৰঙৰ হালধা স্বচ্ছ আৰু আদৰ্শ গাঁও নিৰ্মাণ অভিযানৰ সৰ্বাধিনায়ক তথা শিক্ষক ভাস্কৰ জ্যোতি নাথে আঁত ধৰা আনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জ্ঞাপন কৰি শিক্ষকগৰাকীয়ে পৰীক্ষাত কিদৰে ভাল নম্বৰ লৈ কৃতিত্বৰে উত্তীৰ্ণ হ'ব পাৰি লগতে আগন্তুক পৰীক্ষাৰ সৈতে জড়িত বিভিন্ন দিশ সামৰি বক্তব্য দাঙি ধৰে। সংঘৰ প্ৰাক্তন সভাপতি তথা হালধা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক পবিত্ৰ ডেকা, হালধা হাইস্কুলৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ নাথ, গাঁও প্ৰধান ৰমেশ চৌধুৰী, শিক্ষক ৰোহেশ্বৰ নাথ উপস্থিত থাকে।

# মৰিগাঁৱত গাহৰি পালক সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ

**ই-সংবাদ, মৰিগাঁও, ১১ ফেব্ৰুৱাৰীঃ** সদৌ অসম গাহৰি পালক সন্থাৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত আজি জিলাখনৰ গাহৰি পালকসকলে মৰিগাঁৱত এক প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ৰ সমীপত পালিত এই প্ৰতিবাদ কাৰ্যসূচীত 'গাহৰি আমাৰ বজাৰ আমাৰ, থলুৱা গাহৰি পালকৰ সমস্যাৰাজিক চৰকাৰে গুৰুত্ব দিয়ক, পশুপালন বিভাগ মুৰ্দাবাদ, চি পি গ্ৰুপ গ' বেক' আদি দাবী লিপিবদ্ধ প্লে-কাৰ্ড হাতে হাতে লৈ গাহৰি পালকসকলে চৰকাৰ বিৰোধী কেতবোৰ প্ৰতিবাদী ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্বত দি সংগঠনটোৰ জিলা সভাপতি মিলন নাথ আৰু সম্পাদক পূৰ্ণানন্দ নাথে অভিযোগ কৰে যে গাহৰি পালনৰ ক্ষেত্ৰত ৰাজ্যৰ থলুৱা গাহৰি পালকসকলক পেটে-ভাতে মৰাৰ পৰিকল্পনা কৰি ৰাজ্য চৰকাৰে বৃহৎ পুঁজিপতি গোষ্ঠী চি পি গ্ৰুপক ৰঙা দলিচা পাৰি দিছে। ইয়াৰ প্ৰতিবাদত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে মৰিগাঁৱতো আজি গাহৰি পালকসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি চি পি গ্ৰুপৰ আগমনৰ তীব্ৰ বিৰোধিতা কৰে।

# ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ 'ভূমিকম্প আৰু অগ্নিকাণ্ড'ৰ ম'ক ড্ৰীল

**ই-সংবাদ, ডিব্ৰুগড়, ১১ ফেব্ৰুৱাৰীঃ** পুৱাই অহা ৭.৬ প্ৰাবল্যৰ ভূমিকম্পত কঁপি উঠে সমগ্ৰ ডিব্ৰুগড় চহৰ! চাৰিওফালে সৃষ্টি হয় বিভীষিকাময় পৰিস্থিতিৰ! জনসাধাৰণৰ মাজত ব্যাপক সন্ত্ৰাস! ভূমিকম্পত বিধ্বস্ত হয় বৈৰাগীমঠস্থিত জেএছবি পেভিলিয়ন। হতাহত প্ৰায় ২৪ গৰাকী! ধ্বংসস্তুপত এতিয়াও আবদ্ধ ভালেসংখ্যক লোক! ভূমিকম্পৰ পাছতে শ্বৰ্ট চাৰ্কিটৰ ফলত সংঘটিত হয় অগ্নিকাণ্ড। ঘটনাস্থলীত উপস্থিত হয় অগ্নিনিৰ্বাপক বাহিনীৰ লগতে আন উদ্ধাৰকাৰী দল। আৰক্ষী, এছ ডি আৰ এফ আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ সহযোগত চলাই থকা হৈছে উদ্ধাৰ অভিযান। উদ্ধাৰ অভিযানত নিয়োগ কৰা হৈছে এন ডি আৰএফ বাহিনীকো।- উল্লেখ্য যে এয়া কোনো প্ৰাকৃতিক দুৰ্যোগ নহয়। এয়া আছিল এনেধৰণৰ দুৰ্যোগৰ সময়ত উদ্ধাৰকাৰী দলসমূহে কেনেদৰে উদ্ধাৰ অভিযান চলাব তাৰে এটা অনুশীলন। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধীনত ডিব্ৰুগড় জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ উদ্যোগত 'ভূমিকম্প আৰু অগ্নিকাণ্ড'ৰ এটি ম'ক ড্ৰীল বৈৰাগীমঠস্থিত জেএছবি পেভিলিয়নত অনুষ্ঠিত হয়। জেএছবি পেভিলিয়নত কৃত্ৰিমভাৱে ভূমিকম্প আৰু অগ্নিকাণ্ড সদৃশ এক



পৰিৱেশৰ সৃষ্টি কৰি তেনেধৰণৰ দুৰ্যোগৰ সময়ত কিদৰে উদ্ধাৰ অভিযান চলোৱা হয় তথা প্ৰশাসনৰ লগতে অন্যান্য উদ্ধাৰকাৰী বাহিনীসমূহে কিদৰে নিজ নিজ দায়িত্ব পালন কৰে, সেই সন্দৰ্ভত অনুশীলন চলোৱা হয়। এই ম'ক ড্ৰীল কাৰ্যসূচীত ডিব্ৰুগড় জিলা প্ৰশাসন, আৰক্ষী, ট্ৰেফিক নিয়ন্ত্ৰণ বিভাগ, অগ্নিনিৰ্বাপক বাহিনী, স্বাস্থ্য বিভাগ, এন ডি আৰ এফ, এছ ডি আৰ এফ বাহিনী, অসম পুলিচ অনাতাঁৰ সংগঠন, অসামৰিক প্ৰতিৰক্ষা বাহিনী, জিলা পৰিৱহণ বিভাগকে আদি কৰি অন্যান্য সংশ্লিষ্ট বিভাগসমূহে অংশগ্ৰহণ কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# জাগীৰোড কলেজৰ বাৰ্ষিক সপ্তাহৰ সামৰণি

**ই-সংবাদ, জাগীৰোড, ১১ ফেব্ৰুৱাৰীঃ** জাগীৰোড চহৰৰ ঐতিহ্যমণ্ডিত জাগীৰোড মহাবিদ্যালয়ত বিগত ৪ ফেব্ৰুৱাৰীৰ পৰা ১০ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হয় ৪৭ সংখ্যক মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ। এই সাতদিনৰ বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয় অংশগ্ৰহণ কৰাৰ লগতে বিভাগসমূহে সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে নিজস্ব 'বিষয় বস্তু' বাচি লৈ প্ৰস্তুতি চলায়। তাৰ পিছতেই শনিবাৰে অনুষ্ঠিত হোৱা সাংস্কৃতিক শোভাযাত্ৰা জাগীৰোড চহৰৰ মাজেৰে পৰিভ্ৰমণ কৰে। দেওবাৰে অনুষ্ঠিত হয় মাৰাথন দৌৰ প্ৰতিযোগিতাৰ আৰু অন্তিম দিনা অৰ্থাৎ সোমবাৰে অনুষ্ঠিত হয় মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান। উক্ত অনুষ্ঠানত অধ্যক্ষৰ আদৰণি ভাষণ, মুখ্য অতিথি আৰু সন্মানীয় অতিথিৰ ভাষণ, স্থানীয় লোকৰ লগতে বিভাগীয় তত্ত্বাৱধায়কৰ মন্তব্য, বক্তব্য আৰু সৰ্ব শেষত বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানত নাচি-বাগি আনন্দ কৰাৰ অন্তত ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনেৰে সপ্তাহটোৰ সামৰণি পৰে। সোমবাৰে অনুষ্ঠিত হোৱা মুকলি সভাত 'মৰিয়াহোলা' উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰা অসমৰ বিশিষ্ট সাহিত্যিক জয়ন্ত মাধৱ বৰাই মুখ্য অতিথি আৰু মৰিগাঁও জিলাৰ সন্মানীয় আয়ুক্ত দেবাশীষ শৰ্মাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। মুকলি সভাত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ডাঃ পুণিৰাম পাতৰৰ দুখন গ্ৰন্থ ক্ৰমে 'ধৰ্মক্ষেত্ৰ কুৰুক্ষেত্ৰ' উন্মোচন কৰে মুখ্য অতিথি জয়ন্ত মাধৱ বৰাই আৰু 'দেখি দেখি শুনি শুনি' উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মুকলি সভাৰ সভাপতি ড০ ভবেন চন্দ্ৰ নেওগে। ইয়াৰ উপৰি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'জেচিয়ান' উন্মোচন কৰে জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই আৰু ২০২৩ আৰু ২০২৪ বৰ্ষৰ 'বাৰ্ষিক সংবাদপত্ৰ' দুখন উন্মোচন কৰে ক্ৰমে তিৱা ৰাজদৰবাৰৰ মুখ্য বিষয়া তথা ঐতিহাসিক জোনবিল মেলা সমিতিৰ সভাপতি জুৰচিং বৰদলৈ আৰু অসম সৌৰভ তিৱা লোকনৃত্যগুৰু নাদিৰাম দেউৰীয়ে। তদুপৰি সভাত জাগীৰোডৰ বিশিষ্ট নাগৰিকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অন্তিম দিনটোৰ সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে সত্ৰীয়া গৱেষক তথা জাগীৰোড মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড০ খগেন শৰ্মাই।

# কামপুৰত ৰে'লৰ খুন্দাত যুৱকৰ মৃত্যু

**ই-সংবাদ, কামপুৰ, ১১ ফেব্ৰুৱাৰীঃ** কামপুৰ ৰে'ল ষ্টেচনৰ সমীপত আজি পুৱা ৰে'লৰ খুন্দাত এজন যুৱকৰ মৃত্যু হয়। মৃত্যু হোৱা যুৱকজন ইব্ৰাহীম আলী বুলি চিনাক্ত কৰা হৈছে। মৃত ইব্ৰাহীম আলীৰ ঘৰ কামপুৰ ঘিলানীত বুলি জানিব পৰা গৈছে। যুৱকজনে ৰে'ল লাইন পাৰ হোৱাৰ সময়তে এখন মালবাহী ৰে'লে খুন্দিওৱাৰ ফলতে যুৱকজনৰ মৃত্যু হয়। ঘটনাৰ খবৰ পোৱাৰ পাছত ৰে'ল আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে।

## মদন মোহন গোঁসাই থান সত্ৰৰ বাৰ্ষিক নাম-কীৰ্তন মহোৎসৱ আৰম্ভ

**ই-সংবাদ, ভৱানীপুৰ, ১১ ফেব্ৰুৱাৰীঃ** ভৱানীপুৰৰ সমীপৰ বাংলীপাৰা গাঁৱৰ ঐতিহাসিক শ্ৰীশ্ৰীমদন মোহন গোঁসাই থান সত্ৰৰ ৭০ সংখ্যক বাৰ্ষিক নাম-কীৰ্তন মহোৎসৱ আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। এই উপলক্ষে আজি সত্ৰ চৌহদত গাঁওখনৰ লগতে নাতিদূৰৈৰ গঞা ৰাইজে সত্ৰস্থলীত উপস্থিত হৈ এক অনন্য তথা আধ্যাত্মিক পৰিবেশ সৃষ্টি কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে, আজি পুৱা ৫ বজাত প্ৰভাত ফেৰী আৰু পুৱা ৭ বজাত যতীন বৈশ্যৰ নেতৃত্বত চাফাই অভিযান অনুষ্ঠিত হয়। ইয়াৰ পিছতেই ৭.৩০ বজাত সাংস্কৃতিককৰ্মী হিমাংশু ঠাকুৰীয়াৰ দ্বাৰা গছপুলি ৰোপণ আৰু ৮ বজাত পালনাম পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ কলিতাৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন কৰা হয়। ৮.৩০ বজাত মদন মোহন গোঁসাই থান সত্ৰৰ সত্ৰাধিকাৰ মহেশ্বৰ কলিতাৰ দ্বাৰা স্থায়ী গুৰু আসন প্ৰতিষ্ঠাৰ পিছতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শ্ৰীশ্ৰীমদন মোহন প্ৰাথমিক শাখাৰ সম্পাদক নিবাৰণ দাসৰ দ্বাৰা শৰাই স্থাপন কৰা হয়। ৯.৩০ বজাত পাঠক ফণেন্দ্ৰ ডেকাৰ নেতৃত্বত নাম-প্ৰসংগ আৰু সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নয়নজ্যোতি দাসৰ দ্বাৰা আয়তীৰ দিহা নাম প্ৰতিযোগিতা উদ্বোধন কৰা হয়। দিহা নাম প্ৰতিযোগিতা উদ্বোধন কৰি অধ্যক্ষগৰাকীয়ে সাম্প্ৰতিক সময়ত আমাৰ সংস্কৃতিৰ নামত চলা দুষ্কৃতিৰ উদাহৰণ দিবলৈ গৈ আমাৰ মাজৰে একাংশই নাগাৰা নামৰ নামত চলোৱা অপসংস্কৃতিৰ বিষয়ে উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে এনে কাৰ্যক সমাজৰে অসচেতন একাংশ লোকে প্ৰশ্ৰয় দিয়া কাৰ্যতো উদ্বেগ প্ৰকাশ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এনেবোৰ অমৰ সৃষ্টিৰ বিকৃতকৰণ কোনো কাৰণতেই সমৰ্থনযোগ্য নহয় বুলিও তেওঁ মন্তব্য কৰে। আনহাতে, এনেবোৰ দুষ্কৃতি ৰোধৰ ক্ষেত্ৰত মহিলাসকলেই আগভাগ ল'ব লাগিব বুলিও তেওঁ মন্তব্য কৰে।




প্ৰতিষ্ঠা দিৱস উপলক্ষে মাজুলীৰ গড়মূৰ শংকৰদেৱ বিদ্যা নিকেতনৰ শোভাযাত্ৰা, ফটোঃ পৰাণজ্যোতি

## তামুলপুৰত সমাজ বিৰোধী কাম কাজৰ বিৰুদ্ধে সজাগতামূলক শোভাযাত্ৰা বড়ো মাতৃ সংস্থাৰ

**ই-সংবাদ, তামুলপুৰ, ১১ ফেব্ৰুৱাৰীঃ** তীৰ, জুৱা, অবৈধ সুৰা, ড্ৰাগছ, বাল্যবিবাহ, মানৱ সৰবৰাহ আদি সমাজ বিৰোধী কাম-কাজ বন্ধ কৰাৰ দাবীত আজি তামুলপুৰৰ বড়ো মাতৃ সংস্থাৰ উদ্যোগত আৰু তামুলপুৰ জিলা এবছুৰ সহযোগত জিলা সদৰত এক সজাগতা আৰু প্ৰতিবাদী সমদল উলিওৱা হয়। তামুলপুৰ জিলা সদৰৰ মটঙা চ'কৰ পৰা আৰম্ভ হোৱা সজাগতা ৰেলীটো মুকলি কৰে তামুলপুৰ এবছুৰ সহকাৰী সাংস্কৃতিক সম্পাদীকা মাইদাংশ্ৰী বড়োই। সজাগতা সমদলত অংশগ্ৰহণ কৰা দুই শতাধিক বড়ো মহিলা-যুৱতী তথা অবছুৰ কৰ্মকৰ্তাই অবৈধ তীৰ, জুৱা বন্ধ কৰক, অবৈধ সুৰা বন্ধ কৰক, ড্ৰাগছৰ বেহা বন্ধ কৰক, বাল্যবিবাহ বন্ধ কৰক আদি লিখা প্লে' কাৰ্ডলৈ তামুলপুৰ জিলা সদৰৰ মাজেৰে পৰিভ্ৰমণ কৰি ঘগ্ৰাচ'কৰ লেহোৰাম বড়ো ক্ষেত্ৰত সামৰণি মাৰে। আজিৰ সজাগতা আৰু প্ৰতিবাদী সমদলত বড়ো মাতৃ সংস্থাৰ কেন্দ্ৰীয় আহ্বায়ক উদাংশ্ৰী দৈমাৰী, তামুলপুৰ জিলাৰ মুখ্য আহ্বায়ক কামানী মোছাহাৰী, এনাৰী বসমুতাৰী, তামুলপুৰ জিলা এবছুৰ সভাপতি বাসীৰাম ৰামছিয়াৰী, সাধাৰণ সম্পাদক জীৱন বসুমতাৰী, উপ-সভাপতি ফুকন বড়ো, কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক লোহীত বসুমতাৰীৰ লগতে কেবাগৰাকী নেতা উপস্থিত থাকে।

# বেবেজীয়াত একশৰণ ভাগৱতী সমাজৰ বাৰ্ষিক মহাপালনাম আৰু ধৰ্ম সভা আৰম্ভ

**ই-সংবাদ, বেবেজীয়া, ১১ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ বেৱেজীয়াস্থিত একশৰণ ভাগৱতী সমাজৰ কেন্দ্ৰীয় কাৰ্যালয় বেবেজীয়া পালনাম থানত মঙলবাৰৰ পৰা চাৰিদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে সমাজৰ নগাঁও জিলা শাখাৰ ৮৯ সংখ্যক মহাপালনাম কীৰ্ত্তন আৰু ধৰ্ম সভা আৰম্ভ হৈছে। এই মৰ্মে, বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন ভক্তৰ সমাগমেৰে বেবেজীয়া পালনাম থান প্ৰাংগণত উখল-মাখল পৰিবেশৰ সৃষ্টিৰে সমন্বয় ক্ষেত্ৰত পৰিণত হৈ পৰা দেখা গৈছে। এক সুন্দৰ আধ্যাত্মিক পৰিবেশত পুৱা নামঘৰীয়া ব্ৰজেন আতাৰ পৰিচালনাত প্ৰাতঃ প্ৰসংগেৰে কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে ভকত আদৰণি আৰু শৰাই অৰ্চনৰ অন্তত একশৰণ ভাগৱতী সমাজৰ নগাওঁ জিলা শাখাৰ সভাপতি ভুৱনেশ্বৰ দাসে ধৰ্মধ্বজা উত্তোলন কৰে। দুপৰীয়া মধ্যাহ্ন প্ৰসংগৰ পিছতে সতীৰাধিকা মাতৃ সেৱা সমাজ আৰু তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয়। বিয়লি নগাওঁ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পৰাণ কুমাৰ বৰুৱাই ভকতসকলৰ সহযোগত মুখপত্ৰ "কল্পতৰু" উন্মোচন কৰে। এই উদ্দেশ্যে একশৰণ ভাগৱতী সমাজৰ নগাঁও জিলা শাখাৰ সভাপতি ভুৱনেশ্বৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত হোৱা অনুষ্ঠানটিত বালিৰাম দাস, শৰণাচাৰ্য মহিধৰ দাস, নামাচাৰ্য হীৰেন দাস, জিলা সম্পাদক উমাকান্ত দাস, প্ৰচাৰ সম্পাদক তথা সমাজ সংগঠক ডেভিদ দাস,জ্যেষ্ঠ সাংবাদিক দেৱজিৎ হাজৰিকা, মিণ্টু দাস, বিশিষ্ট সমাজকৰ্মী নৰেন্দ্ৰ নাথ বৰদলৈ সৌৰৰণত প্ৰকাশিত "কল্পতৰু" বাৰ্ষিক পত্ৰিকাৰ প্ৰকাশক হিচাপে পৰিয়ালৰ হৈ প্ৰভাকৰ বৰদলৈ, নিৰুপ্ৰভা বৰদলৈ আদি উপস্থিত থাকে। প্ৰবক্তা প্ৰদীপ দাসে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটি অঞ্জলী দাসৰ দ্বাৰা পৰিবেশিত এটি বৰগীতেৰে শুভাৰম্ভ কৰা হয়। সন্ধিয়া বুঢ়া আতাসকলৰ দ্বাৰা সন্ধ্যা প্ৰসংগ আৰু জপ অনুষ্ঠিত কৰা হয়। ইফালে, বুধবাৰে দ্বিতীয় দিনা পুৱা প্ৰাতঃ প্ৰসংগ, ভকত আদৰণি আৰু শৰাই অৰ্চনৰ অন্তত তৰুণবিদ্যাৰ্থী সমাজৰ প্ৰাৰ্থনা সভা, খোল প্ৰসংগ আৰু মধ্যাহ্ন প্ৰসংগ পৰিৱেশন কৰা হ'ব। বিয়লি একশৰণ ভাগৱতী সমাজৰ উপাচাৰ্য বালিৰাম দাসৰ সঞ্চালনাত ধৰ্ম সভা অনুষ্ঠিত হ'ব। একশৰণ ভাগৱতী সমাজৰ প্ৰধান সচিব জীৱন চন্দ্ৰ কাকতিয়ে উদ্বোধন কৰিবলগীয়া সভাখনিত একশৰণ ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধি, উপাধ্যক্ষ যোগেন দাস, সমাজৰ মঙলদৈ জিলা শাখাৰ সভাপতি গুনেন্দ্ৰ নাথ চলিহা, বিধায়কদ্বয় ৰূপক শৰ্মা, শশীকান্ত দাসকে প্ৰমুখ্য কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়া থান চৌহদত বন্তি প্ৰজ্বলনৰ অন্তত গুণমালা কীৰ্তন, পালনামৰ শৰাই অৰ্চন, খোল প্ৰসংগৰ পিছতে নিশা মহাপালনাম আৰম্ভ হ'ব বুলি একশৰণ ভাগৱতী সমাজৰ নগাঁও জিলা শাখাৰ প্ৰচাৰ সম্পাদক ডেভিদ দাসে জানিবলৈ দিছে।

## বৰদোৱা সত্ৰীয়া সাংস্কৃতিক কেন্দ্ৰৰ বাৰ্ষিক পৰীক্ষা

**ই-সংবাদ, বেবেজীয়া, ১১ ফেব্ৰুৱাৰীঃ** অসম সত্ৰ মহাসভাৰ পৰীক্ষা পৰিষদৰ অধীনৰ বৰদোৱা সত্ৰীয়া সংস্কৃতিক কেন্দ্ৰৰ বাৰ্ষিক পৰীক্ষা বটদ্ৰৱাৰ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ বৰদোৱা সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত কৰা হয়। পৰীক্ষা কাৰ্যসূচীৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বটদ্ৰৱা থানৰ বৰনামলগোৱা ডম্বৰুধৰ গায়নে। পৰীক্ষাত নিৰিক্ষক ৰূপে উপস্থিত থাকে শিৱসাগৰ জিলাৰ বিশিষ্ট শিল্পী ৰানা মহন্ত। পৰীক্ষা কাৰ্যসূচীত বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতি দেৱগোস্বামী, শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্ত, শিল্পী পুণিৰাম বৰা গায়ন, ত্ৰিকেন্দ্ৰ জিৎ দেৱগোস্বামী, উপেন শইকীয়া, প্ৰদীপ গোস্বামী, ৰনিতা বৰঠাকুৰ, বিৰেন কলিতা, অৰ্চনা বৰুৱা, ৰীনা বৰুৱা, ৰিংকি বৰকাকতী, সীমা মহন্ত, অনুজ বৰুৱা, দীগন্ত দাসৰ লগতে ছাত্ৰ-ছাত্ৰী, অভিভাৱকসহ পাঁচ শতাধিক লোক উপস্থিত থাকে। পৰীক্ষা কাৰ্যসূচীৰ সামগ্ৰীক পৰিচালনাৰ লগতে সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে বৰদোৱা সত্ৰীয় সংস্কৃতিক কেন্দ্ৰৰ সভাপতি জয়ন্ত মাধৱ বৰাই।

## দ্বিতীয় দিনাও অব্যাহত সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ কৰ্মবিৰতি কাৰ্যসূচী

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১১ ফেব্ৰুৱাৰীঃ** আমিনগাঁওস্থিত উপায়ুক্তৰ কাৰ্যালয় চৌহদত কালি সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ বিষয়ববীয়া সমন্বিতে সমূহ কৰ্মচাৰীয়ে আবেলি ৪ বজাৰ পৰা ৫ বজালৈ এঘণ্টীয়া কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাই বিগত কিছু বছৰৰ পৰা বিভিন্ন দাবীৰ ভিত্তিত ধাৰাবাহিকভাৱে আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। শেহতীয়াভাৱে মাজুলী জিলাৰ গৌতম ভূঞা নামৰ এগৰাকী জ্যেষ্ঠ সহায়কক নীতি বহিৰ্ভূতভাৱে যোৰহাটলৈ বদলি কৰাৰ পৰিপ্ৰেক্ষিতত কৰ্মচাৰী সন্থাটোৰ আন্দোলনে এক নতুন মোৰ লয়। সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ ছাৰ্ভিচ ৰুল ভংগ কৰি এই বদলিকৰণ প্ৰক্ৰিয়া সম্পন্ন হৈছে বুলি অভিযোগ উত্থাপিত হৈছে। ছাৰ্ভিচ ৰুল অনুসৰি অসম চৰকাৰৰ জি এ ডি বিভাগে আগতীয়া অনুমোদনৰ ভিত্তিত জিলাৰ পৰা জিলালৈ বদলিকৰণ কৰিব পাৰে যদিও গৌতম ভূঞাৰ বদলিকৰণ প্ৰক্ৰিয়াত এই নিয়ম সম্পূৰ্ণৰূপে উপেক্ষা কৰা হৈছে। ইতিমধ্যে যোৱা ২২ জানুৱাৰীত সন্থাই ইয়াৰ প্ৰতিবাদত দিনজোৰা কৰ্মবিৰতি আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। তাৰ পিছতো চৰকাৰে কোনো ইতিবাচক পদক্ষেপ নোলোৱাত বাধ্য হৈ সন্থাটোৱে পুণৰ আন্দোলনৰ কাৰ্যসূচী ল'বলগীয়া হৈছে। আজিও আবেলি ৩ বজাৰ পৰা ৫ বজালৈ দুঘণ্টীয়া কৰ্মবিৰতি পালন কৰা হয়।

# ছাগলীয়াত জঘন্য কাণ্ড, বৃদ্ধৰ যৌন নিৰ্যাতনৰ বলি শিশু

**ই-সংবাদ, গোলকগঞ্জ, ১১ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ ছাগলীয়া আৰক্ষী চকীৰ অন্তৰ্গত অসম-পশ্চিমবংগ সীমান্তৰ বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱত যোৱা ন ফেব্ৰুৱাৰীত ফুল কুমলীয়া এটি শিশুক যৌন নিৰ্যাতন চলাই পঞ্চাশোৰ্ধৰ বৃদ্ধ ৰঙাঘৰৰ আলহী হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ছাগলীয়া প্ৰথম খণ্ড গাঁৱৰ ছয় বছৰীয়া শিশুটি মাকৰ লগত গৈছিল বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড গাঁৱত থকা মোমায়েকৰ ঘৰলৈ। সিদিনা সন্ধিয়া সুযোগ বুজি কাষৰ ঘৰৰ সমন্ধীয় ককাক পঞ্চাশোৰ্ধৰ ছোলেমন আলীয়ে কেক খুওৱাৰ লোভ দেখুৱাই শিশুটিক নিজৰ ঘৰলৈ মাতি নিয়ে। ঘৰৰ ভিতৰত সুমুৱাই নি শিশুটিক যৌন নিৰ্যাতন চলায়। শিশুটি চিঞৰ-বাখৰ কৰাত এৰি দিয়ে। ইয়াকে লৈ দুইপক্ষৰ মাজত কাজিয়াৰ সৃষ্টি হয়। এই ক্ষেত্ৰত মধ্যস্থতাকাৰীৰ ভূমিকা গ্ৰহণ কৰে গাঁওখনৰ লোকমান আলীয়ে। এক লাখ টকা দি ঘটনাটো গোপনে ৰাখি মীমাংসাৰ চেষ্টা চলায়। আৰক্ষীক অৱগত কৰিলে একো কৰিব নোৱাৰিব বুলি লোকমানে এক প্ৰকাৰ ভয়-ভাবুকি দিয়ে। সকলো ভয়-ভাবুকি নেওচি শিশুটিৰ পিতৃয়ে যোৱা নিশা ছাগলীয়া আৰক্ষী চকীত এজাহাৰ দিয়ে। এই সন্দৰ্ভত আৰক্ষীয়ে প'কছো আইনৰ অধীনত গোচৰ পঞ্জীয়ন কৰি পুৱতি নিশা লম্পট ছোলেমানক গ্ৰেপ্তাৰ কৰি গোলকগঞ্জ থানালৈ প্ৰেৰণ কৰে। আজি গোলকগঞ্জ থানাৰ পৰা ছাগলীয়া আৰক্ষীয়ে ধুবুৰী আদালতত হাজিৰ কৰি ছোলেমানক জে'ললৈ প্ৰেৰণ কৰে।

# শ্ৰীশ্ৰী বুঢ়াগোসাঁই থানত পৰম্পৰাগত মহাশিৱৰাত্ৰিৰ আয়োজন

**ই-সংবাদ, মিৰ্জা, ১১ ফেব্ৰুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ দখলা পাহাৰস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী বুঢ়াগোসাঁই থানৰ ঐতিহ্য বহু পুৰণি। স্বৰ্গীয় আহোম ৰজা শিৱসিংহৰ ৰাজত্ব কালতে এই মন্দিৰ প্ৰতিষ্ঠা হৈছিল। অন্যবৰ্ষৰ দৰে এই বৰ্ষতো পৰম্পৰাগত মহাশিৱৰাত্ৰি পূজা শ্ৰীশ্ৰী বুঢ়াগোসাঁই থান পৰিচালনা সমিতিৰ উদ্যোগত অহা ২৪ ফেব্ৰুৱাৰীৰ সোমবাৰৰ পৰা ২৬ ফেব্ৰুৱাৰী বুধবাৰলৈ তিনদিনীয়া বিভিন্ন কাৰ্যসূচীৰে দখলা পাহাৰস্থিত শ্ৰীশ্ৰী বুঢ়াগোসাঁই থান প্ৰাংগণত আয়োজন কৰা হৈছে। এই উপলক্ষে দ্বিজেন শৰ্মা দলৈক সভাপতি, শশী ভূষণ তালুকদাৰক সাধাৰণ সম্পাদক, কৈলাশ তালুকদাৰক কাৰ্যকৰী সভাপতি, যতীন তালুকদাৰ, হিৰেন দাসক উপ-সভাপতি, ৰোহিত তালুকদাৰ, মুনীন্দ্ৰ দাস, মৃদুল কুমাৰ দাস, পবিত্ৰ ঠাকুৰীয়া সহঃ সম্পাদক হিচাপে লৈ পৰিচালনা সমিতি গঠন কৰা হৈছে। কাৰ্যক্ৰমণিকা অনুসৰি ২৪ ফেব্ৰুৱাৰী সোমবাৰৰ কাৰ্যসূচী বন্তি প্ৰজ্বালন, ধৰ্মধ্বজা উত্তোলন, বৃক্ষৰোপণ, বিলৰ বৃক্ষত বস্ত্ৰ দান, শিৱ পুৰাণ পাঠৰ কক্ষৰ দ্বাৰ মুকলি, শিৱ পুৰাণ পাঠৰ কক্ষৰ বন্তি প্ৰজ্বালন। ২৫ ফেব্ৰুৱাৰীত অহোৰাত্ৰি অখণ্ড শিৱ পুৰাণ পাঠ কৰা হ'ব। ২৬ ফেব্ৰুৱাৰী বুধবাৰৰ কাৰ্যসূচী ধৰ্মীয় শোভাযাত্ৰা, মহাবাহু ব্ৰহ্মপুত্ৰৰ ঘাটত ঘট বৰণ, শিৱ অভিষেক, মন্দিৰত বিগ্ৰহ স্নান, নাম-প্ৰসংগ, শিৱ পূজা, হোমযজ্ঞ, পুষ্পাঞ্জলি প্ৰদান, প্ৰসাদ বিতৰণ,ভক্তসকলৰ ভোজন গ্ৰহণ আদি। উক্ত দিনকেইটাৰ পূজাৰ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতাৰ লগতে উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তাসকলে।

# কামৰূপৰ বংশৰ সানপাৰাত অবৈধ চুলাই মদৰ বিৰুদ্ধে আবকাৰী বিভাগৰ অভিযান

**ই-সংবাদ, গুৱালকুছি, ১১ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলা আবকাৰী বিভাগে অবৈধ চুলাই মদৰ বিৰুদ্ধে আজি জিলাখনৰ বিভিন্ন অঞ্চলত অভিযান চলাই কেইবাটাও মদৰ ভাটি উচ্ছেদ কৰাৰ লগতে মদ বনোৱা বিভিন্ন সামগ্ৰী নষ্ট কৰে। কামৰূপৰ বিভিন্ন অঞ্চলৰ লগতে বংশৰ সানপাৰাতো অবৈধ চুলাই মদৰ বিৰুদ্ধে আৰক্ষীৰ সহযোগত আবকাৰী বিভাগে অভিযান চলায়। অভিযানত প্ৰায় ৫ হাজাৰ লিটাৰ চুলাই মদসহ চুলাই প্ৰস্তুত কৰা সামগ্ৰী নষ্ট কৰে আবকাৰী বিভাগে। উল্লেখ্য যে, মদৰ ভাটিত অবৈধভাৱে প্ৰস্তুত কৰা চুলাইৰ বাবে বিভিন্ন সময়ত সামাজিক-শৈক্ষিক পৰিৱেশ বিনষ্ট কৰি অহাৰ লগতে বহু পৰিয়াল ধ্বংস হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছিল। বহু সময়ত আবকাৰী বিভাগে নামমাত্ৰ অভিযান চলায়ে দায়িত্ব সামৰে বুলি অভিযোগ কৰে স্থানীয় সচেতন তথা দল-সংগঠনে। আনহাতে, কামৰূপ আবকাৰী বিভাগে অবৈধ চুলাই মদৰ বিৰুদ্ধে এনেদৰে অভিযান ভৱিষ্যতেও অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে।

# গোলকগঞ্জত নিশা পথ দুৰ্ঘটনাত আহত দুই

**ই-সংবাদ, গোলকগঞ্জ, ১১ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত নান্দিনীপাৰৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা আঠ বজাত এখন ছয় চকীয়া আল্ট্ৰা ট্ৰাকে দুজন বাইক আৰোহীক মহটিয়াই নিয়া ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, AS-28 AC-0889 নম্বৰৰ আল্ট্ৰা ট্ৰাকখনে মহটিয়াই নিয়ে AS-17 A-2957 নম্বৰৰ ছুপাৰ স্পেলেণ্ডাৰ বাইকখনক। ফলত গুৰুতৰভাৱে আহত হয় বাইক আৰোহী দুজন। আৰোহী দুজন বিছনদৈৰ জয়ন্ত ৰায়ৰ পুত্ৰ ৰাহুল ৰায়(২৩) আৰু গৌৰীপুৰ এক নং ৱাৰ্ডৰ ৰামকৃষ্ণ ভকতৰ পুত্ৰ মৃদুল ভকত(২৩)। দুয়োকে ততালিকে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। অৱস্থা সংকটজনক হোৱাত চিকিৎসকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়াৰ পৰামৰ্শ দিয়ে যদিও পৰিয়ালৰ লোকে উন্নত চিকিৎসাৰ বাবে শিলিগুড়িৰ ব্যক্তিগত নাৰ্ছিংহোমলৈ প্ৰেৰণ কৰে।

# খেল মহাৰণৰ সাঁতোৰত নগাঁও জিলা দলৰ বিশেষ সাফল্য

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১১ ফেব্ৰুৱাৰীঃ** গুৱাহাটীৰ সৰুসজাইৰ ড০ জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত ৰাজ্যিক ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত আৰু কামৰূপ মেট্ৰ’ জিলা প্ৰশাসন তথা জিলা ক্ৰীড়া বিভাগৰ ব্যৱস্থাপনাত অনুষ্ঠিত খেল মহাৰণ-২.০ ৰ মাণ্ডলিক পৰ্যায় (মণ্ডল-৪)ৰ সাঁতোৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি নগাঁও জিলা সাঁতোৰ দলটোৰ খেলুৱৈয়ে ছটাকৈ পদক প্ৰাপ্তিৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ স্বত্বেও নগাঁও জিলা প্ৰশাসন, জিলা ক্ৰীড়া বিষয়া আৰু একাংশ সাঁতোৰপ্ৰেমীৰ বিশেষ তৎপৰতাত মাণ্ডলিক পৰ্যায়ৰ প্ৰতিযোগিতাত নিকিতা তাঁতীয়ে ছোৱালীৰ অনূৰ্ধ্ব-১৭ বছৰ বয়সৰ শাখাৰ ৫০ ফ্ৰী-ষ্টাইল, ১০০ মিটাৰ ফ্ৰী-ষ্টাইল, ৫০ মিটাৰ বেকষ্ট্ৰক আৰু ১০০ মিটাৰ বেকষ্ট্ৰকতো তৃতীয় স্থানেৰে ব্ৰঞ্জ পদক হস্তগত কৰাৰ বিপৰীতে ছোৱালীৰ অনূৰ্ধ্ব-১৪ বছৰ বয়সৰ শাখাত মাফিয়া খাটুনে ১০০ মিটাৰ ফ্ৰী-ষ্টাইল আৰু ১০০ মিটাৰ বেকষ্ট্ৰকত তৃতীয়স্থান দখলৰে ব্ৰঞ্জপদক লাভ কৰিছে। নগাঁও, মৰিগাঁও, হোজাই, পশ্চিম কাৰ্বি আংলং আৰু কামৰূপ মেট্ৰ’ জিলাৰ খেলুৱৈৰ মাজত ড০ জাকিৰ হুছেইন একুৱাটিক প্ৰকল্পত আয়োজিত এই প্ৰতিযোগিতা আজি পুৱা আনুষ্ঠানিকভাৱে বিশিষ্ট ক্ৰীড়া সংগঠক ভাস্কৰৰঞ্জন দাসে উদ্বোধন কৰিছিল। কামৰূপ মেট্ৰ’ৰ জিলা আয়ুক্ত সুমিত চাটৰান মুখ্য অতিথিৰূপে উপস্থিত থকা সামৰণি অনুষ্ঠানত অতিৰিক্ত আয়ুক্ত কেচিঅ’ কৰণ পেগু, কামৰুপ মেট্ৰ’ জিলাৰ ভাৰপ্ৰাপ্ত ক্ৰীড়া বিষয়া পুষ্পেন্দু দাস, ক্ৰীড়া সংগঠক নৱজ্যোতি গগৈ, মুকুটেশ্বৰ গোস্বামী আৰু প্ৰবীন সাঁতোৰবিদ ডেভিদ চেতীয়াকে ধৰি কেইবাগৰাকীও লোক সন্মানীয় অতিথিৰূপে উপস্থিত থাকি বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। প্ৰায়বোৰ ইভেন্টতে প্ৰত্যাশিতভাৱে কামৰূপ মেট্ৰ’ৰ খেলুৱৈসকলে প্ৰথম দুটাস্থান লাভ কৰে যদিও নগাঁৱৰ লগতে মৰিগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলঙৰ খেলুৱৈয়ে আন কেইবাটাও পদক প্ৰাপ্তিৰে ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰে। নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱাই জানিবলৈ দিয়ামতে, চমকপ্ৰদ প্ৰদৰ্শন আগবঢ়োৱা নগাঁও সাঁতোৰ দলটোৰ সৈতে প্ৰভাত চন্দ্ৰ বৰা আৰু সমীৰ হাজৰিকা মেনেজাৰৰূপে আৰু আটাউৰ ৰহমান, চাহিল আহমেদ, হীৰামণি বৰদলৈ আৰু আকাশ বসুমতাৰী প্ৰশিক্ষকৰূপে তথা দীপেন গগৈ, হিৰণ্য গোঁহাই, জুনমনি নায়ক সহযোগীৰূপে আছিল।



কলকাতাত অনুষ্ঠিত ৰঞ্জি ট্ৰফীৰ খেলত হাৰিয়ানাৰ বিৰুদ্ধে শতক অৰ্জনৰ পিছত মুম্বাইৰ আজিংক্য ৰাহানে

## ত্ৰিদেশীয় শৃংখলাত ‘ডু অৰ ডাই’ পৰিস্থিতিৰ সন্মুখীন পাকিস্তান

# দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অভিলেখ গঢ়িবলৈ সাজু বাবৰ আজম

**কৰাচী, ১১ ফেব্ৰুৱাৰীঃ** অহা বুধবাৰে পাকিস্তানৰ কৰচাৰী নেশ্যনেল ষ্টেডিয়ামত অনুষ্ঠিত হ’ব পাকিস্তান, নিউজিলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ মাজত চলি থকা ত্ৰিদেশীয় শৃংখলাৰ তৃতীয়খন খেল। দক্ষিণ আফ্ৰিকা আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ’বলগীয়া এই খেলখনক লৈ কাৰ্যতঃ দুয়োটা দলৰ বাবে 'ডু অৰ ডাই’ পৰিস্থিতিৰ সৃষ্টি হৈছে। এই মেচত জয়ী হোৱা দলটোৱে ১৪ ফেব্ৰুৱাৰীত ফাইনেলত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব। আনহাতে, পৰাজিত দলটো পোনপটীয়াকৈ প্ৰতিযোগিতাখনৰ পৰা বাহিৰ হ’ব। লক্ষ্যণীয় যে, এই খেলখনতে বিশেষ অভিলেখ গঢ়াৰ সুযোগ লাভ কৰিব পাকিস্তানৰ তাৰকা বেটাৰ বাবৰ আজমে। খেলখনত ৩৩ ৰান কৰিলেই বাবৰ আজম এদিনীয়া ক্ৰিকেটত ৬০০০ ৰান সংগ্ৰহ কৰা আটাইতকৈ দ্ৰুততম খেলুৱৈ হিচাপে পৰিগণিত হ’ব। এই অভিলেখ বৰ্তমান দক্ষিণ আফ্ৰিকাৰ কিংবদন্তি বেটছমেন হাছিম আমলাৰ হাতত আছে। তেওঁ মাত্ৰ ১২৩ ইনিংছত ৬০০০ ৰান সম্পূৰ্ণ কৰিছিল, যিটো এতিয়াও বিশ্ব অভিলেখ। উল্লেখ্য যে, ৩০ বছৰীয়া বাবৰ আজমে ইতিমধ্যে ১২৪ খন এদিনীয়া মেচ খেলি ১২১ ইনিংছত ৫৯৬৭ ৰান সংগ্ৰহ কৰিছে। অৰ্থাৎ ৬০০০ ৰাণ সম্পূৰ্ণ কৰিবলৈ এতিয়া আৰু মাত্ৰ ৩৩ ৰাণৰ প্ৰয়োজন বাবৰ আজমক। যদি দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অনুষ্ঠিত হ’বলগীয়া খেলখনত সেই মাইলৰ খুঁটি অৰ্জন কৰিব পাৰে, তেন্তে হাছিম আমলাৰ অভিলেখ ভংগ কৰি নতুন ইতিহাস সৃষ্টি কৰিব বাবৰে। অন্যহাতে, বৰ্তমান ভাৰতীয় বেটিং তাৰকা বিৰাট কোহলি এই তালিকাত দ্বিতীয় স্থানত আছে। কোহলিয়ে ১৩৬ ইনিংছত ৬০০০ ৰান সম্পূৰ্ণ কৰিছে। অৱশ্যে যদি বাবৰ আজমে এই অভিলেখটো নিজৰ কৰি লয়, তেন্তে কোহলিয়ে দ্বিতীয় স্থানৰ পৰা তৃতীয় স্থানলৈ অৱনমিত হ’ব। এদিনীয়া ক্ৰিকেটত ৬,০০০ ৰান সংগ্ৰহ কৰা শীৰ্ষ পাঁচজন বেটছমেনৰ ভিতৰত আছে হাছিম আমলা (১২৩ ইনিংছ), বিৰাট কোহলী (১৩৬ ইনিংছ), কেন উইলিয়ামছন (১৩৯ ইনিংছ), ডেভিড ৱাৰ্নাৰ (১৩৯ ইনিংছ) আৰু শিখৰ ধাৱান (১৪০ ইনিংছ)। এতিয়া অভিলেখ গঢ়াৰ সুযোগ লাভ কৰিছে বাবৰ আজমে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)।
কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি